ASSAM
LEGISLATIVE ASSEMBLY
DEBATES



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. 15

THE 5TH April, 1995

Price Rs. 49·00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, The 5th April, 1995

The House met at 9 A.M. of the clock in the Assembly chamber at Dispur with Mr. Debesh Chakravarty, Speaker in the chair.

STARRED
QUESTIONS & ANSWERS
(To which oral replies were given)

Mr. Speaker : The Position of Questions for 5.4.95 are as follows :

ORAL– Sl. No. 261 to 280

DEFERRED– Sl. No. 267

WRITTEN– Sl. No. 607 to 656

DEFERRED– Sl. No. 617, 629 and 652

(Deferred questions from 22.3.95 to 5.4.95)

ORAL– Sl. No. 70

Written– Sl. No. 149 and 188

(Deferred questions from 29.3.95 to 5.4.95)

ORAL– Sl. No. 174

Written– Sl. No. 394

Now question No. 261.

বিষয় ঃ শ্বহীদ কুশল কোঁৱৰ সেতু।

শ্রীবিনোদ গোৱালাই সুধিছে ঃ

* ২৬১।মাননীয় গড়কাপ্টানি (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শ্বহীদ কুশল কোঁৱৰ সেতু বর্তমান কি অৱস্থাত আছে?

(খ) কেতিয়া সম্পূর্ণ হৈ উঠিব মন্ত্রী মহোদয়ে জনাবনে?

শ্রীশৰৎ বৰকটকী, (গড়কাপ্টানি (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শ্বহীদ কুশল কোঁৱৰ সেতুৰ কাম বৰ্তমান স্থগিত অৱস্থাত আছে।

(খ) উক্ত সেতুৰ নির্মাণ কেতিয়া সম্পূর্ণ হ'ব খাটাংকৈ কোৱা টান যদিও প্রয়োজনীয় ধনৰ আবণ্টন সাপেক্ষে ১৯৯৬ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত উক্ত সেতুৰ কাম সম্পূর্ণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

* শ্রীবিনোদ গোৱালা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জানে যে ধনশিৰি মহকুমালৈ অহা-যোৱাৰ একমাত্র পথ এইটোৱে যিটোত শ্বহীদ কুশল কোঁৱৰ সেতুৰ কাম স্থগিত আছে। এই সেতুৰ কাম ইতিমধ্যে এ জি চি চিক দিয়া হৈছিল। পিছত এ জি চি চিৰ পৰা উইদ্র কৰা হয়। এতিয়া মই জানিব বিচাৰো চলিত বছৰত এই সেতুৰ নির্মাণৰ কাৰণে ধন আবণ্টন কৰা হৈছে নে?

* শ্রীশৰৎ বৰকটকী (ৰাজ্যিক গড়কাপ্টানি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰ নির্মাণ নিগমে এই বিভাগক কোনো খবৰ নিদিয়াকৈ কাম স্থগিত কৰি ৰাখে। এই বিভাগৰ পৰা বাৰে বাৰে সোঁৱৰাই দিয়া সত্ত্বেও নিগমে নির্মাণৰ কাম পুনৰ আৰম্ভ কৰা নাই। বর্তমানলৈকে হোৱা অগ্রগতি তলত উল্লেখ কৰা ধৰণৰ— ৬ টা ওৱেলৰ ভিতৰত ৪ টা ওৱেলৰ কাম প্রায় ৯০ শতাংশ সম্পূর্ণ হৈছে। বাকী ২ টাৰ কাম বর্তমানলৈকে আৰম্ভ হোৱা নাই। ইয়াৰ অগ্রগতিৰ খতিয়ান ১ নং সহপত্রত দেখুওৱা হৈছে। দ্বিতীয়তে, অসম চৰকাৰৰ নির্মাণ নিগমে দলঙৰ কাম সম্পূর্ণ কৰিলে মুঠ পাব লগা ১.৫৯ কোটি টকাৰ বিপৰীতে আগধন হিচাপে বর্তমানলৈকে মুঠ ৬৭.০০ লাখ টকা আদায় পাইছে। কিন্তু এই পর্যন্ত মাত্র ৩৯.৭৮ লাখ টকা মূল্যৰ কামহে নিগমে সম্পূর্ণ কৰিব পাৰিছে। তৃতীয়তে, অসম চৰকাৰৰ নির্মাণ নিগমক এই বিভাগে ১৯৯০ চনৰ জুন মাহতে কামৰ আবণ্টন দিয়ে। উক্ত নির্দেশতে ২৪ মাহত কাম সম্পূর্ণ কৰিবলৈ কোৱা হৈছিল। যোৱা দুই বছৰে নিগমে কামৰ কোনো অগ্রগতি লাভ কৰিব পৰা নাই। অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে এই কাম এ জি চি চিৰ পৰা পি ডব্লিউ ডি বিভাগলৈ অনাৰ ব্যৱস্থা কৰিছো। পি ডব্লিউ ডিলৈ অনাৰ পিছত টেণ্ডাৰ দি কাম কৰা হ'ব।

* শ্রীবিনোদ গোৱালা ঃ মাননীয় অধ্যক্ষ মহোদয়, চলিত বছৰত ধন আবণ্টন কৰিছে নে নাই?

* শ্রীশৰৎ বৰকটকী (ৰাজ্যিক গড়কাপ্টানী মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫ চনৰ ভিতৰতে টেণ্ডাৰ দিয়াৰ ব্যৱস্থা কৰা হ'ব।

* শ্রীনগেন শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জানে যে প্রাক্‌কলন সমিতিয়ে এই সেতুৰ কাম ছয় মাহৰ ভিতৰত সম্পূর্ণ কৰি উলিয়াবলৈ এটা প্রস্তাৱ দিছিল। আৰু বিভাগৰ আয়ুক্তই ছয় মাহৰ ভিতৰতে কাম সম্পূর্ণ কৰিব বুলি সমিতিৰ আগত কৈছিল। কিন্তু ইতিমধ্যে ছয় মাহ কেতিয়াবাই উকলি গ'ল। মন্ত্রী মহোদয়ে এই বিষয়ে কিবা জানে নেকি?

---

* Speech not corrected

শ্রীশৰৎ বৰকটকী (ৰাজ্যিক গড়কাপ্টানী মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই জ্ঞাত নহয়।

শ্রীনগেন শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত ইতিমধ্যে এইটো ৰখা হৈছে। গতিকে পি ডব্লিউ ডি বিভাগৰ মন্ত্রী জ্ঞান নোহোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে।

মাননীয় অধ্যক্ষ ঃ এই প্রশ্নটো জ্ঞাত নহ'বও পাৰে।

শ্রীনগেন শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰিপ'র্ট সদনৰ মজিয়াত ৰখা হৈছে। গতিকে বিভাগীয় মন্ত্রীয়ে কথাটো চাব লাগে।

মাননীয় অধ্যক্ষ ঃ মন্ত্রীয়ে তদন্ত কৰি চাব।

শ্রীশৰৎ বৰকটকী (ৰাজ্যিক গড়কাপ্টানী মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা কৰিম।

Shri Hitendra Nath Goswami : Report is sumbitted, Sir.

Mr. Speaker : It is not a compulsion that the Minister will be conversant with all the questions. However, he will examine it. Now starred question No. 262. Hon'ble members Shri D. Rongpi, Shri B. Rongpi, Shri H. Terang and Shri M. Rongpi.

Re : Implementation of Schemes.

Shri Dipendra Rongpi
Shri Babu Rongpi
Shri Holiram Terang
Shri Monsing Rongpi
} asked :

* 262. Will the Minister of Rural Development be pleased to state :

(a) What are the schemes implemented through District Rural Development Agency in Karbi Anglong?

(b) The total fund allocation under each of the schemes in the Karbi Anglong District?

(c) Total fund released and yet to be released of proportionately funding from both the Centre and State?

(d) Specify those schemes which were not approved by the Governing Body?

Shri Gautam Roy (Minister of State, Panchayat & Rural Development) replied :

(a) 1. Integrated Rural Development Programme (IRDP)

2. Training of Rural Youth for Self-Employment (TRYSEM)

3. Development of Women & Children in Rural Areas (DWCRA)

4. National Programme of Bio-gas Development.

5. Jawahar Rozgar Yojana (JRY)

6. Employment Assurance Scheme (EAS)

7. Integrated Rural Energy Programme (IREP).

8. National Programme for improved Chulhas.

9. M.Ps Local Areas Development Programme.

10. MLAs Local Areas Development Programme.

11. Operation Black Board (OBB).

ALLOCATION (Rs. IN LAKHS) FOR 1994-95.

(b) 1. IRDP – 141.00

2. TRYSEM – 5.00

3. DWCRA – 1.50

4. BIO-GAS – 35 Nos. of Bio-gas plants are to be installed, average subsidy is Rs. 3,500/- per plant.

5. J.R.Y. – 520.42 lakhs

6. E.A.S. – 800.00 lakhs

7. I.R.E.P. – Allocation of Rs 4,788 lakhs is approved.

8. M.Ps local areas Development programme – 100.00 lakhs (Rs. 70 lakhs i.e. 70 percent for Karbi Anglong, Rs, 30.00 lakhs i.e. 30 percent for N.C. Hills.)

9. MLA's Local area Dev. Programme – No definite allocation is known to the Agency. It is, however, known that a sum of Rs. 5.00 lakhs for each MLAs is earmarked for taking up Dev. Schemes in MLA's area Scheme selected by the MLAs are being sent to the DRDA & the DRDA is preparing the plan and estimate of the selected schemes for necessary action.

10. Operation Black Board – Under the Scheme L.P. School will be constructed. Each MLA is given the option to select site for 4 (four) L.P. School and hence for 4 (four) MLAs of Karbi Anglong there will be 16 L.P. School. Estimated cost of each L.P. School is one lakh so the allocation is 16.00 lakhs.

(c) Programme-wise release of fund under DRDA, Karbi Anglong, 1994-95. (in lakhs)

	State Share	Central Share
1. I.R.D.P.	45.25	121.30
2. TRYSEM	2.50	2.50
3. DWCRA	1.30	0.51
		0.50 (UNICEF)
4. NPBD	NIL	NIL
5. JRY	78.06	393.84
6. EAS	41.52	520.00
7. IREP	NIL	NIL
8. MPs Local areas Scheme	NIL	100.00
9. Operation Black Board	7.68	1.92

As some sanctions from Govt. of India were received towards the end of March 1995 the actual amount yet to be release has not yet been finally decided.

(d) (a) E.A.S.

(b) M.Ps Local Area Dev. Programme.

(c) M.L.As Local Dev. Programme.

(d) Operation Black Board.

Mr. Speaker : Now starred Question No 263. Hon'ble Member Dr. Kamala Kalita.

বিষয় ঃ পৰিদৰ্শনৰ সিদ্ধান্ত।

ডাঃ কমলা কলিতাই সুধিছে ঃ

* ২৬৩।মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলা গ্ৰামীণ বিকাশ অভিকৰণৰ (ডি আৰ ডি এ) পৰিচালনা সমিতিৰ (গৱৰ্ণিং বডি) ৫/৭/৯৪ ইং তাৰিখৰ বৈঠকত পৰিচালনা সমিতিৰ এটি দলে উন্নয়ন খণ্ডৰ কামসমূহ পৰিদৰ্শন কৰাৰ সিদ্ধান্ত লোৱা সঁচানে?

(খ) যদি সঁচা তেন্তে সিদ্ধান্ত কাৰ্যকৰী কৰা হৈছেনে?

(গ) যদি হোৱা নাই কিয়?

শ্ৰীগৌতম ৰয় (ৰাজ্যিক পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) হোৱা নাই।

(গ) প্ৰস্তাৱিত সিদ্ধান্ত অনুযায়ী কামৰূপ জিলাৰ উপায়ুক্ত তথা জিলা গ্ৰামীণ বিকাশ অভিকৰণৰ সভাপতিয়ে মৌখিকভাৱে দুবাৰ (এবাৰ ১৯৯৫ চনৰ জানুৱাৰী মাহত আৰু পিচৰবাৰ ফেব্ৰুৱাৰী মাহত) উন্নয়ন খণ্ডৰ কামবোৰ পৰিদৰ্শন কৰাৰ বাবে তাৰিখ ধাৰ্য কৰে। কিন্তু দুয়োবাৰে পৰিচালনা সমিতিৰ কেইবাগৰাকী সদস্যই এই জিলাৰ উপায়ুক্ত তথা এই অভিকৰণৰ সভাপতিক ব্যক্তিগতভাৱে ধাৰ্য কৰা তাৰিখ দুটা, নিজৰ অসুবিধাৰ কথা জনায়। উপায়ুক্তগৰাকীও জিলাৰ বিভিন্ন আন আন কাৰ্য্যত ব্যস্ত থকাত আন এটা তাৰিখ সদস্যসকলৰ অনুকূলে ধাৰ্য্য কৰিব পৰা নাই।

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে গৱৰ্ণিং বডি গ্ৰামোন্নয়ন আঁচনিবিলাক পৰ্য্যালোচনা কৰা সিদ্ধান্ত হৈছিল সঁচা। কাৰ্য্যকৰী হোৱা নাই বুলি কৈছে। কাৰ্য্যকৰী নোহোৱা কাৰণবিলাক গোকাট অসত্য কথা কৈছে। মৌখিকভাৱে সিদ্ধান্ত লৈ উপায়ুক্তই অসুবিধা দেখুৱাইছে বুলি কৈছে এই কথাটো অসত্য। আচল কৰণ হ'ল কামৰূপ জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ আঁচনিসমূহ ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ শতকৰা ৩০ ভাগ কাম হৈছে। বাকীখিনি কোনোবা বিষয়াৰ পকেটলৈ গৈছে। মোৰ হাতত সম্পূৰ্ণ তথ্য আছে। ছাটাবাৰী গাঁৱৰ কলিয়া গোসাঁই পুখুৰীৰ ৪০ ভাগ টকা

* Speech not corrected

পাইছে। এম. ডব্লিউ. এছ. আঁচনিসমূহৰ ৭০ হাজাৰ টকাৰ ভিতৰত ৪০ হাজাৰ টকা পাইছে। ১৯৯৩-৯৪ চনত বালীজুৰি ৰাজহুৱা পুখুৰীৰ ২১ হাজাৰ টকাৰ ভিতৰত ১০ হাজাৰ পাইছে। ৩৩২ নং নোৱাপাৰা এল. পি. স্কুলৰ কাম লিণ্টাৰলৈকেহে হৈছে। আচলতে ৪০ ভাগ কামো সম্পূৰ্ণ হোৱা নাই। উপায়ুক্ত আৰু পি. ডি.য়ে গৱৰ্ণিং বডিৰ মিটিং পাতি কামবিলাক পৰ্যবেক্ষণ কৰাত কিয় সাহস কৰিব নোৱাৰে? ১৯৯৪ চনত সিদ্ধান্ত হৈছিল এতিয়ালৈকে পৰ্য্যবেক্ষণ হোৱা নাই। এই সদন চলি থকা অৱস্থাতে প্ৰতিবেদন দাখিল কৰি যি ভুল তথ্য দাঙি ধৰিছে তাৰ ওপৰত ব্যৱস্থা লোৱা হ'ব নেকি?

* শ্ৰীগৌতম ৰায় (ৰাজ্যিক মন্ত্ৰী) ঃ তেখেতে কোনখন কাগজৰ কথা কৈছে?

* ডাঃ কমলা কলিতা ঃ শ্ৰমিকসকলে লিখি দিয়া কাগজ। আঁচনিসমূহ পৰ্যবেক্ষণ কৰা ব্যৱস্থা ল'বনে?

* শ্ৰীগৌতম ৰায়(ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় সদস্যৰ লগত মই এক মত। আই. এ. ওৱাই. কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা ল'ম। বিশেষভাৱে ক'লে চাব পৰা হ'ব। ডি. চি.ক অৰ্ডাৰ দিছো এনকুৱেৰী কৰি চাব।

* ডাঃ কমলা কলিতা ঃ ৩৩২ নং নোৱাপাৰা এল. পি. স্কুল নিৰ্মাণ।

মাননীয় অধ্যক্ষ ঃ কি ক'ত আছে জনাব, এনকুৱেৰী কৰি দিব।

* ডাঃ কমলা কলিতা ঃ উপায়ুক্ত আৰু পি. ডিক কেইবাবাৰো অভিযোগ দিছো, কিন্তু কোনো ব্যৱস্থা নাই। We have lodged complaints, but no action was initiated from their end and that is why I am compelled to raise this matter in the House. পি. ডিয়ে স্বেচ্ছাচাৰী শাসন চলাইছে। কামৰূপৰ ৯ জন বিধায়কে ২৪ জানুৱাৰী তাৰিখে গৱৰ্ণিং বডিৰ মিটিং হ'ব লাগে বুলি ৰিকুইজিচন মিটিং দিছো। তাৰ প্ৰতিলিপি ডি. চি. আৰু পি. ডিয়ে ৰাখিছে, কিন্তু আজিলৈকে মিটিং পতাৰ সাহস কৰা নাই। স্বেচ্ছাচাৰীভাৱে কাম চলাই আছে।

* শ্ৰীঅতুল বৰা ঃ পি. ডি. অফিচত নাথাকে। এবাৰ সোধাত গম পোৱা হ'ল ৰাজীৱ ভৱনত আছে। আজি দুবছৰ ধৰি সোণাপুৰৰ এখন স্কুল সম্পূৰ্ণ নহ'ল। ১০-২০ পাৰ্চেণ্ট কটা হয় বুলি কৈছে। কি কাৰণত কটা হয় মন্ত্ৰীগৰাকীয়ে ক'ব লাগে। যিবিলাক ইটা-বালি দিছে একেবাৰে বেয়া। এই সম্পৰ্কত কি ব্যৱস্থা ল'ব?

* শ্ৰীগৌতম ৰায় (ৰাজ্যিক মন্ত্ৰী) ঃ বি. ডি. ওই যদি ইচ্ছাকৃতভাৱে কৰা নাই তেন্তে ব্যৱস্থা লোৱা হ'ব। ডি. চি.য়ে এপ্ৰিল মাহৰ ভিতৰত গৱৰ্ণিং বডিৰ মিটিং পাতিব লাগিব। বাকী অভিযোগসমূহ তদন্ত কৰা হ'ব।

---

* Speech not corrected

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, আঁচনিসমূহ পর্যবেক্ষণ কৰাৰ কাৰণে গৱর্ণিং বডিয়ে মিটিঙত আঁচনিসমূহ পর্য্যালোচনা কৰিব। কিন্তু গৱর্ণিং বডিয়ে কোনো মিটিং পতা নাই। ২ নম্বৰ কথা হ'ল আমি জনাত নৱেম্বৰ মাহত চৰকাৰৰ পৰা চার্কোলাৰ দিয়া হৈছিল উপায়ুক্তসমূহক প্রতি তিনি মাহৰ মূৰে মূৰে গৱর্ণিং বডিয়ে সভা পাতিবৰ কাৰণে। কিন্তু আজি পর্য্যন্ত পতা নহ'ল, কিয় পি. ডি. আৰু উপায়ুক্ত স্বেচ্ছাচাৰীভাৱে তেওঁলোকে সভা নাপাতে? তেওঁলোকে সমষ্টিয়ে সমষ্টিয়ে গৈ ৭ লাখ টকাৰ অমুকত ৩ লাখ টকাৰ আধাৰশিলা স্থাপন কৰিম বুলি দিয়া টেলিগ্রামৰ কপি মোৰ হাতত আছে। এতিয়া দেখা গ'ল যে স্বেচ্ছাচাৰীভাৱে প্রজেক্ট ডিৰেক্টৰ আৰু ডি. চি.য়েই শোণিতপুৰ জিলাত ২১ লাখ টকা অবৈধভাৱে চাইন-বোর্ড কিনিছিল, গতিকে তাৰ ওপৰতো অনুসন্ধান কৰি ব্যৱস্থা গ্রহণ কৰিবনে?

* শ্রীহিতেন্দ্রনাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই টেলিগ্রাম এখন পঢ়ি দিছো—

"To Sr. B.D.O./B.D.O., Chif ETC, P.D., DRDA, Gauhati No. KRAD 13/2 1st-95/182 dt. 3.2.95.
You are requested not to organise any foundation laying ceremony for any construction E.T.C. works executed by DRDA or by you without prior written intimation and approval from Deputy Commissioner and Chairman and Project Director DRDA."
....How he can say this?

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উত্তৰ কি বুলি আহিছে মই পঢ়ি দিছো।

Mr. Speaker : Every officer has right to take approval from the Government. There is nothing wrong.

* Shri Hitendra Nath Goswami : Sir, after Governing bodies decision, he cannot do like this.

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উত্তৰ আহিছে অভিযোগ পোৱা যায় পঞ্চায়তসমূহৰ এই আঁচনিবিলাক খণ্ড উন্নয়ন বিষয়াৰ দ্বাৰা আধাৰশিলা স্থাপন কৰা হ'ব।

(—গণ্ডগোল—)

Mr Speaker : Minister will examine this. বিভাগীয় মন্ত্রীয়ে পৰীক্ষা কৰি চাব।

* শ্রীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এম. এল. এ.বিলাকে যদি আধাৰশিলা স্থাপন কৰিব নোৱাৰে তেনেহ'লে সভানেত্রীয়ে কেনেকৈ আধাৰশিলা স্থাপন কৰিব।

* Speech not corrected

* শ্রীগৌতম ৰয় (পঞ্চায়ত আৰু গ্রামোন্নয়ন ৰাজ্যিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ডি. চি.জনেই ডি আৰ ডিৰ চেয়াৰমেন। মাননীয় সদস্যজনে যিখিনি কথা কৈছে সেইখিনি মই মানি লৈছো। যিবিলাকত দুর্নীতি আছে সেইবিলাক মই তদন্ত কৰি ব্যৱস্থা গ্রহণ কৰিম। এপ্রিল মাহৰ ভিতৰত যাতে কামৰূপ জিলাৰ ডি আৰ ডি এৰ মিটিং হয় তাৰ কাৰণে আজিয়েই অর্ডাৰ দিম।

ভইচ— আধাৰশিলাৰ কথা কওক — (গণ্ডগোল) —

* শ্রীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো হ'লে কি হ'ব শিক্ষা বিভাগৰ ওপৰত সংসদ সদস্য বলিন কুলীয়েও সমালোচনা কৰিছে। ইয়াত মিটিং কৰিবলৈ আহি সংসদ সদস্য বলিন কুলীয়ে শিক্ষা বিভাগৰ বিৰুদ্ধে কৈছে।

মাননীয় অধ্যক্ষ ঃ এই বিষয়টোৰ ওপৰত আপোনালোকে পোন্ধৰ মিনিট সময় লৈছে। তাৰ পিচতো আকৌ আপোনালোকে কয় ক'বলৈ দিয়া নহয় এইটো কেনেকুৱা কথা।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ ডি আৰ ডি এত গৱর্ণিং বডিৰ এপ্রভেল হৈ যোৱাৰ পিচত আকৌ চেয়াৰমেনৰ এপ্রভেল লোৱাৰ কোনো প্রয়োজন নাই। ইয়াৰ সদস্যসকলৰ খবৰ হ'ব নেলাগে। মই ভাবো যিখিনিৰ বিষয়ৰ ওপৰত আলোচনা হৈছে এইটো ভালদৰে পৰীক্ষা কৰি চাব লাগে। আৰু যাতে সদস্যসকলৰ মর্য্যদা ক্ষুণ্ণ নহয় তাৰ বাবে ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য মহন্ত ডাঙৰীয়াই যিটো কথা কৈছে সেইটো মই মানি লৈছো। It will be examined. Now next question no. 264.

বিষয় ঃ ডিউটি নকৰাকৈ দর্মহা আৰু বানচ সংগ্রহ।

মোঃ মহিবুল হকে সুধিছে ঃ

*২৬৪। মাননীয় পশুপালন আৰু পশু চিকিৎসা মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰীৰ পশুপালন বিভাগৰ ডাঃ মকবুল হোছেন দীর্ঘ দুই বছৰ ধৰি ডিউটি নকৰি দর্মহা আৰু বানচ ভোগ কৰি থকাটো চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত এই বিষয়ত এটা গোপন তদন্ত চলাই ডাঃ মকবুল হোছেনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীজগন্নাথ সিংহ (পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী পশুপালন বিভাগৰ অধীনৰ ডাঃ মকবুল হোছেইন বর্তমান পশু চিকিৎসক পদত নাই। তেওঁ ধুবুৰী জিলাৰ পাণবাৰী ভেৰা আৰু ছাগলী পামৰ মেনেজাৰ পদত আছে।

---

* Speech not corrected

ডাঃ হোছেনে দুই বছৰ ধৰি কৰ্তব্য নকৰাকৈ দৰ্মহা আদি লোৱা কথাটো সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

* মোঃ মহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে উত্তৰ দিছে সেই কৰ্মচাৰীজনে দুই বছৰ ধৰি কৰ্তব্য নকৰাকৈ দৰ্মহা আদি লোৱা কথাটো সঁচা নহয়— সেই ক্ষেত্ৰত মাননীয় মন্ত্ৰীক ক'ব খুজিছো, ধুবুৰী জিলা মোৰ সমষ্টি, তালৈ অফিচাৰ নাযায় কাম নকৰে, মোৰ সমষ্টিৰ জনসাধাৰণে জিলাৰ উপায়ুক্তৰ ওচৰলৈ আহি অভিযোগ দাখিল কৰিছে। মই সদনৰ বিধায়ক হিচাপে অভিযোগ কৰিছো এই চলিত অধিৱেশনতে এই ক্ষেত্ৰত প্ৰতিবেদন দাখিল কৰিব লাগে।

* Shri Jagannath Sinha (Minister) : Mr. Speaker Sir, the actual position is that on 10.2.94, Dr Hussain was transferred and posted at Panbari Goat and Sheep Farm as Manager and Dr. Ali Siekh was transferred and posted at Raniganj under Bilasipara Dev. Block. But, trhis time, Dr. Seikh without handing over charge to Dr. Makbul Hussain filed a case in the Hon'ble Gauhati High Court. Meanwhile, as per order of Government, Dr. Hussain had taken over charge of Panbari Goat and Sheep Farm as Manager unilaterally on 15.2.94. Ultimately, in pursuance to the order of Gauhati High Court, Dr. Seikh handed over charge to Dr. Hussain on 30.9.94 and joined in his new place of posting at Raniganj.

Dr. Hussain could not draw his pay and allowances for the period from 15.2.94 to 30.9.94.

* মোঃ মহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে ১৯৯৪ চনৰ কথাটো কৈছে। তেখেতে কেতিয়া কামত যোগদান কৰিছে। সেই দিনৰ পৰা কোনো দিনে কাম কৰা নাই। এইটো তেখেতে 'এছুৱেঞ্চ' দিব লাগে, সেই অফিচাৰজনক ছাছপেণ্ড কৰা হ'ব নে নহয়?

মাননীয় অধ্যক্ষ ঃ এই বিষয়টোৰ সম্পৰ্কত মই বহুত অভিযোগ পাইছো, গতিকে বিভাগীয় মন্ত্ৰীয়ে বিষয়টো 'এনকুৱাৰী' কৰি ব্যৱস্থা গ্ৰহণ কৰিব।

* শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত 'এনকুৱাৰী' কৰি ব্যৱস্থা লোৱা হ'ব।

* ডঃ জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্ৰশ্নটো হৈছে— 'ডিউটি' নকৰাকৈ দৰ্মহা

* Speech not corrected

লৈ আছে। কিন্তু আমাৰ মঙলদৈত ১২ জনমান 'কেজুৱেল এমপ্লয়ী'য়ে ডিউটি কৰিয়ো দৰ্মহা পোৱা নাই। তাৰ এটা ব্যৱস্থা কৰিব লাগে।

* Shri Jagannath Sinha (Minister) : Mr. Speaker Sir, I shall have to collect information.

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এটা কথা ক'ব খুজিছো যে এজন বিষয়া এঠাইৰ পৰা আন ঠাইলৈ বদলি হ'লে আৰু সেই বদলিৰ ক্ষেত্ৰত যদি ক'ৰ্টত কেচ চলি থাকে তেনেহ'লে কেচটো নিষ্পত্তি নোহোৱা পৰ্য্যন্ত সেই বিষয়াজন কৰ্তব্যৰত অৱস্থাত থাকিব নে নেথাকে? এই বিষয়াজনৰ ক্ষেত্ৰত বিষয়টো ৰাজনৈতিক দৃষ্টিভংগীৰে চোৱা হৈছে।

* শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো 'এনকুৱাৰী' কৰা হ'ব।

Mr. Speaker : Now Starred Question No. 265. Questioner Shri Nazmul Haque.

বিষয় ঃ কয়লা ব্যৱসায়ীৰ কৰ।

শ্ৰীনজমুল হকে সুধিছে ঃ

*২৬৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কয়লা ব্যৱসায়ীসকলৰ পৰা বছৰি মুঠ কিমান টকা কৰ হিচাপে অসম চৰকাৰে আদায় কৰি আছে সদনক জনাবনে? (যোৱা তিনি বছৰৰ ভিত্তিত)।

(খ) বাইহাটা চাৰিআলি, যোগীঘোপা আৰু দুধনৈত বেচৰকাৰী চেকগেট (তালাচী চকী)ৰ পৰা বছৰি মুঠ কিমান টকা গুণ্ডাকৰ আদায় কৰি থকা হৈছে, এই বিষয়ে চৰকাৰ অৱগতনে?

(গ) উক্ত ঠাই তিনিখনৰ পৰা (ছালফা) আত্মসমৰ্পণ কৰা আলফা আৰু গান্ধী ব্যৱসায়ী গোষ্ঠীয়ে আদায় কৰা গুণ্ডা কৰৰ কিমান শতাংশ অসম চৰকাৰৰ ৰাজকোষত জমা হয়?

শ্ৰীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কয়লা ব্যৱসায়ীসকলৰ পৰা অসম চৰকাৰে বছৰি আদায় কৰি থকা কৰৰ পৰিমাণ তলত দিয়া হ'ল—

১৯৯১-৯২	—	১৮.১২ কোটি টকা।
১৯৯২-৯৩	—	২০.৩১ কোটি টকা।
১৯৯৩-৯৪	—	১৮.৭৭ কোটি টকা।

* Speech not corrected

(খ) উক্ত ঠাইসমূহত বেচৰকাৰী চেকগেট (তালাচী চকী) থকাটো এই বিভাগৰ দৃষ্টিগোচৰ হোৱা নাই, গতিকে গুণ্ডাকৰ আদায় কৰি থকাৰ বিষয়েও এই বিভাগ অৱগত নহয়।

(গ) প্ৰশ্ন নুঠে।

* শ্ৰীনজমুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যিকেইটা ঠাইৰ নাম উল্লেখ কৰিছো তাত চেকগেট হৈছে। মন্ত্ৰীৰ পৰা মই 'এছুৱেঞ্চ' বিচাৰিছো। এই ব্যৱসায়ীসকলে চৰকাৰৰ ছিকিউৰিটি লৈ উক্ত তিনিওখন ঠাইতে কৰ আদায় কৰিছে। এইটো এটা 'ইকনমিক অফেঞ্চ'। গতিকে ইয়াৰ প্ৰতিবেদন দাখিল কৰিব লাগে।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কোনোবাই যদি এনে গুণ্ডাকৰ লগাইছে সেই গুণ্ডাকৰৰ কথা আমি নেজানো।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মেঘালয় চৰকাৰে বৰ্ণীহাটত কয়লাৰ ডিপু কৰিছে, বেলতলাৰ কয়লাৰ ডিপু মেঘালয়লৈ নিলে অসমৰ লোকচান হ'ব। তাৰ কাৰণে অসম চৰকাৰে কি ব্যৱস্থা কৰিছে।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গুণ্ডাকৰৰ কথাটো মই নেজানো। আমি যিটো চৰকাৰে পাব লাগে পাই থাকো। ডিলাৰৰ পৰা আমি ঠিকমতে পাই থাকো। ১৫ ৰ পৰা ১৮ টন নিলে ১ হেজাৰ টকা পাওঁ, আমি পাবলগীয়া টকা পাওঁ। শ্ৰীমহন্ত ডাঙৰীয়াই কৈছে— মেঘালয়ত কয়লা ডিপু কৰিছে তাৰ পৰা অসমৰ লোকচান হ'ব। সেই ক্ষেত্ৰত দেখা যায় সকলোবোৰ ট্ৰাক অসমৰ মাজেৰে যাব লাগিব তাৰ কাৰণে আমাৰ বিভিন্ন ঠাইত কৰ সংগ্ৰহৰ ব্যৱস্থা আছে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ব্যৱসায়ীবিলাকে মেঘালয়কহে কৰ দিব। অসমে ৰাজহ হেৰুৱাব লাগিব যিহেতু ব্যৱসায় ইয়াত বন্ধ হৈ যাব। অসমে ৰাজহ হেৰুৱাব সেই কথাটো ফৰ্মেলি মন্ত্ৰীয়ে ক'ব নোৱাৰে। গুণ্ডাকৰ এতিয়া শুক্লেশ্বৰৰ ফুলৰ ওপৰতো লগাইছে। সেইবোৰত অসমে বহু কোটি টকা ৰাজহ হেৰুৱাইছে। এই কয়লাৰ কৰ লোৱাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিছে সেই উত্তৰটো লাগে।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত যিবিলাক চেকগেট কৰিম তাৰ পৰা কৰ সংগ্ৰহ কৰিম।

* শ্ৰীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, কয়লাৰ ওপৰত লগোৱা গুণ্ডা টেক্স সম্পৰ্কত আজি কেইদিনমান আগতে মাননীয় সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই সদনত এখন ৰচিদ দাখিল কৰিছে আৰু সেইখন আপুনিও পাইছে। এই ৰছিদখনত ২০০ টকা লোৱা বুলি প্ৰমাণিত হৈছে। ইয়াৰ ১০০ টকা পুলিচে লয় আৰু ১০০ টকা আৰ এছ গান্ধীয়ে

* Speech not corrected

লয়। গতিকে এইবোৰ কথা জানি-শুনিয়ো আপোনালোকে কিয় ব্যৱস্থা লোৱা নাই?

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিত্তমন্ত্রী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে এই প্রশ্নটোৰ উত্তৰত তেখেতে এটা কথা কৈছে বর্ণিহাটত কয়লাৰ ডিপু ট্রেন্সফাৰ হ'লে অসম ৰাজহৰ পৰা বঞ্চিত নহয়। কিন্তু ইণ্টাৰ ষ্টেট ট্রেন্সফাৰ হ'লে এতিয়া বেলতলাৰ কয়লা ডিপুৰ পৰা যিটো কৰ পায় থকা হৈছে সেই কৰৰ পৰা অসম বঞ্চিত হ'ব। সেই কাৰণে মই ক'ব খুজিছো যে অসমে যাতে ৰাজহ নেহেৰুৱাই তাৰ কাৰণে বিত্ত বিভাগে ব্যৱস্থা ল'লে ভাল হয়। এই ক্ষেত্রত আমাৰ বিত্তমন্ত্রী ডাঙৰীয়াই কি ব্যৱস্থা লৈছে সেই সম্পর্কে ক'ব নে?

* শ্রীজীৱকান্ত গগৈ (বিত্তমন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মেঘালয় চৰকাৰে নিজাববীয়াকৈ বর্ণিহাটত কয়লা ডিপু কৰিব পাৰে। তাত আমি বাধা দিব নোৱাৰো। কিন্তু যিখিনি কয়লা আমাৰ ইয়ালৈ আহে আৰু ইয়াত ডিপু পতা হয় সেইখিনিৰ ওপৰত আমি কৰ আদায় কৰিব পাৰিম।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, কয়লাৰ ওপৰত বেআইনিভাৱে যদি কৰ আদায় কৰি থকা হয় তেনেহ'লে অসমৰ পৰা কয়লা ব্যৱসায়টো আঁতৰি গ'লে অসমে বহুতো টকাৰ ৰাজহ হেৰুৱাব লাগিব। সেই কাৰণে মই কব খুজিছো যে বিভিন্ন কাৰণত যাতে অসমৰ পৰা কয়লা ব্যৱসায়টো উঠি নাযায় আৰু কয়লা ব্যৱসায়টো বৃদ্ধি কৰিব পৰা যায় তাৰ কাৰণে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

* শ্রীঅতুল বৰা ঃ অধ্যক্ষ মহোদয়, কয়লা ব্যৱসায়ৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ চলি থকা কাৰণে আজি অসমৰ পৰা কয়লা ব্যৱসায়টো মেঘালয়লৈ উঠাই নিয়াৰ উপক্রম হৈছে। গতিকে সেই ক্ষেত্রত কি ব্যৱস্থা লৈছে মন্ত্রী মহোদয়ে কওক।

* শ্রীজীৱকান্ত গগৈ (বিত্তমন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মেঘালয়ৰ পৰা অসমলৈ অহা কয়লাৰ ওপৰত যদি গুণ্ডা টেক্স লগোৱা হৈছে তেনেহ'লে সেই ক্ষেত্রত আমি নিশ্চয় ব্যৱস্থা ল'ম।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ চনত কয়লাৰ পৰা আমাৰ ৰাজ্যখনে কিমান টকা পাব? তাৰোপৰি আন এটা কথা হৈছে অসমৰ পৰা কয়লাৰ ডিপু মেঘালয়লৈ উঠি গ'লে অসম চৰকাৰে কৰ হিচাপে এপইচাও নাপাব। গতিকে সেইটো যাতে নহয় আৰু কয়লা ব্যৱসায়ীসকলক যাতে উৎসাহিত কৰিব পাৰি তাৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত ল'বনে?

* শ্রীচন্দন কুমাৰ সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিত্তমন্ত্রীৰ পৰা এই প্রশ্নটোৰ ক্ষেত্রত আৰু এটা কথা জানিবৰ বাবে সুধিব খুজিছো যে কয়লাৰ ওপৰত অসমে যে বহু টকা

ৰাজহ হেৰুৱাইছে তাৰ এটা উদাহৰণ দিব খুজিছো। আজি আমি কয়লাৰ এখন ট্ৰাকত যি ১০০০ টকা কৰ বহুৱাইছো সেই ট্ৰাকত দহ টন কয়লা যাব লাগে। কিন্তু তাৰ পৰিৱৰ্তে এখন ট্ৰাকত ১৮-২০ টন কয়লা গৈ আছে। গতিকে এখন ট্ৰাকৰ ঠাইত দুখন ট্ৰাকৰ কয়লা গৈ আছে। সেই মতে আমি বহু ৰাজহ হেৰুৱাইছো। সেই কাৰণে যিখিনি অতিৰিক্ত কয়লা গৈছে তাৰ ওপৰত কৰ লগোৱাৰ ব্যৱস্থা কৰিবনে?

* শ্ৰীজীৱকান্ত গগৈ (বিত্তমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মেঘালয় চৰকাৰে বেলেগে ডিপোট কৰিলে আমি আপত্তি কৰিবলগীয়া নাথাকে। কিন্তু আমাৰ ইয়াত যাতে কোনো ধৰণৰ গুণ্ডা টেক্স লগোৱা নহয় তাৰ কাৰণে আমি ব্যৱস্থা ল'ম। ইয়াৰ বাহিৰেও বেলতলা অঞ্চলত কয়লাৰ ব্যৱসায় বৃদ্ধি কৰিবৰ কাৰণে আমি ব্যৱস্থা ল'ম। মাননীয় সদস্য শ্ৰীচন্দন সৰকাৰ ডাঙৰীয়াই যিটো কথা কৈছে সেই ক্ষেত্ৰত মই কওঁ যে আমি ১৫ টনৰ পৰা ১৮ টন কয়লা নিয়া ট্ৰাকৰ ওপৰত এক হাজাৰ টকা আৰু ৩০ টন পৰ্যন্ত কয়লা যোৱা ট্ৰাকৰ পৰা দুই হাজাৰ টকা কৰ হিচাপে লোৱা হৈছে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ চনত কিমান টকা কৰ হিচাপে পাব বুলি ভাবিছে সেইটো ক'ব নেকি?

* শ্ৰীজীৱকান্ত গগৈ (বিত্তমন্ত্ৰী) ঃ এই ক্ষেত্ৰত আমি ১৮ কোটিমান টকা পাম বুলি ভাবিছো।

* শ্ৰীনজমুল হক ঃ অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মাননীয় বিধায়ক শ্ৰীচন্দন সৰকাৰে যোগীঘোপাত গুণ্ডাকৰ লগোৱা নাই বুলি ডাঠিকৈ কৈছে। এতিয়া কথা হ'ল তেখেত অভয়াপুৰী (পঃ) সমষ্টিৰ বিধায়ক আৰু মই গোৱালপাৰা (পঃ) সমষ্টিৰ বিধায়ক। তাত গুণ্ডা টেক্স লগোৱা হৈছে নে নাই সেইটো মই ভালদৰে জানো। গতিকে এই বিষয়টোৰ সত্যাসত্য প্ৰমাণ কৰাৰ কাৰণে এটা এনকুৱেৰী কৰাৰ ব্যৱস্থা কৰিবনে?

* শ্ৰীজীৱকান্ত গগৈ (বিত্তমন্ত্ৰী) ঃ মই সেইটো তদন্ত কৰি চাম।

Mr. Speaker : Now Starred Question No. 266. Questioner Shri Sahidul Alam Choudhury.

মাননীয় অধ্যক্ষ ঃ এই বিষয়টোৰ সকলোবোৰ কথা মই জানো। ফৰেষ্ট লেণ্ডত যাতে কোনো মানুহ বহিব নোৱাৰে তাৰ কাৰণে আমি ব্যৱস্থা হাতত লৈছো। গতিকে এই ক্ষেত্ৰত আৰু আলোচনা হ'ব নালাগে।

---

* Speech not corrected

Re : Allotment of Forest Land.

Shri Sahidul Alam Choudhury asked :

* 266. Will the Minister of Forests be pleased to state :

(a) Whether one Hedayetullah Mazumder and 233 other families were alloted 2000 Bighas of Forest Land on 14/12/1977 in Derapathar in Kaki Mouza under D.F.O. Nagaon South Division, Hojai alongwith two other groups of Biresh Chakraborty and Gobinda Goswami?

(b) If so, whether possession of the said land was handed over to all the families of those three groups ?

(c) If not what steps the Government is going to take regarding the matter ?

Shri Samsul Huda, (Minister of State for Wildlife and Social Forestry (Independent Charge)) replied :

(a) No.

(b) Does not arise.

(c) As per Forest Conservation Act, 1980 no Forest land can be diverted for non forestry purpose without prior approval from Govt. of India.

(Starred Question No. 267 was deferred)

বিষয় ঃ অসম চুক্তি ৰূপায়ণ ক্ষেত্ৰত আলোচনা।

ডঃ জয়নাথ শর্মাই সুধিছে ঃ

* ২৬৮। মাননীয় অসম চুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত ১৯৯১-৯৫ চনৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ লগত ৰাজ্য চৰকাৰে কি কি ক্ষেত্ৰত আলোচনা কৰিছে?

(খ) চুক্তিৰ প্ৰতিটো দফাৰ বিপৰীতে চৰকাৰে ১৯৯১-৯৫ চনৰ ভিতৰত কৰা কামৰ বিৱৰণি দিবনে?

(গ) চুক্তি অনুসৰি অৰ্থনৈতিক উন্নয়ণৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা কি কি বিশেষ সুবিধা পাইছে?

(ঘ) অসমৰ সুকীয়া অস্তিত্ব ৰক্ষাৰ বাবে চুক্তি মতে ৰাজ্য আৰু কেন্দ্রীয় চৰকাৰে কি কি ব্যৱস্থা লৈছে?

(ঙ) সাংস্কৃতিক/ভাষিক উন্নয়ণৰ ক্ষেত্রত চৰকাৰে চুক্তি অনুসৰি কি ব্যৱস্থা লৈছে?

ডাঃ ভূমিধৰ বর্মণ (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এই বিভাগে পোৱা তথ্য অনুসাৰে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্রত ১৯৯১-৯৫ চনৰ ভিতৰত অসম চুক্তিৰ ৬ নং দফাৰ আধাৰত কেন্দ্রীয় চৰকাৰৰ লগত অসমীয়া ৰাইজৰ সংস্কৃতি সুৰক্ষাৰ বাবে শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্র নির্মাণ আৰু জ্যোতি চিত্রবন ফিল্ম ষ্টুডিঅ'ৰ উন্নয়ণৰ বিষয়ে আলোচনা কৰা হৈছে।

৭ নং দফাৰ আধাৰত অর্থনৈতিক উন্নয়ণৰ বাবে আলোচনা কৰে।

৯ নং দফা অনুসৰি ভাৰত-বাংলাদেশ সীমান্তত পথ ও কাইটীয়া তাঁৰৰ বেৰ নির্মাণ সংক্রান্তত ইয়াৰ প্রগতি আৰু প্রাক্কলন অনুমোদন আদি কামৰ বাবে প্রায় প্রতি তিনি মাহে কেন্দ্রীয় চৰকাৰৰ লগত আলোচনা কৰি থকা হৈছে।

(খ) ১৯৯১-৯৫ চনৰ ভিতৰত চৰকাৰে কৰা কামৰ খতিয়ান এখন ইয়াৰ লগত সংলগ্ন কৰা হ'ল। **(See the Annexure- I)**

(গ) চুক্তি অনুসৰি অর্থনৈতিক উন্নয়ণৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা বিশেষ সুবিধা তলত দিয়া হ'ল ঃ

(১) নুমলীগড় তেল শোধানাগাৰ নির্মাণ সম্পর্কে ৩৭ নং ৰাষ্ট্রীয় পথৰ জখলাবন্ধাৰ পৰা বোকাখাটলৈ উপযুক্ত পৰিবর্ত্তিত পথৰ দিক নির্ণয়ৰ বাবে প্রাথমিক ব্যৱস্থা লোৱা হৈছে আৰু এই কামৰ বাবে এতিয়ালৈকে কেন্দ্রীয় চৰকাৰৰ পৰা ২.৪২ লাখ টকাৰ আর্থিক সাহায্য লোৱা হৈছে।

(২) যোগীঘোপাত ব্রহ্মপুত্র নদীৰ ওপৰত নির্মিয়মাণ দলঙৰ সংলগ্ন পথৰ কাম চলি আছে আৰু এই কামৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা ২২৫.০০ লাখ টকাৰ আর্থিক সাহার্য্য পোৱা হৈছে।

(৩) অশোক কাগজ কল পুনৰ জীৱিত কৰণৰ সম্পর্কত কেন্দ্রীয় চৰকাৰে ৬৭.০০ কোটি টকা এককালিন সাহার্য্য মঞ্জুৰ কৰিছে।

(৪) আই, আই, টি, স্থাপন।

(৫) শিলচৰ আৰু তেজপুৰত কেন্দ্রীয় বিশ্ববিদ্যালয় স্থাপন।

(ঘ) অসমৰ সুকীয়া অস্তিত্ব ৰক্ষাৰ বাবে অসম চুক্তিৰ ৬ নং দফাৰ আধাৰত অসমীয়া ৰাইজৰ সাংস্কৃতিক সুৰক্ষাৰ বাবে শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্র নির্মাণ আৰু জ্যোতি চিত্রবন ফিল্ম ষ্টুডিঅ' উন্নয়নৰ আঁচনি লোৱা হৈছে আৰু সেই মর্মে কেন্দ্রীয় চৰকাৰে কলাক্ষেত্র নির্মাণৰ বাবে ১০ কোটি টকা মঞ্জুৰ কৰিছে। তাৰে ৩.১৫ কোটি টকা ইতিমধ্যে মোকলাই দিছে আৰু ১৯৯৪-৯৫ বিত্তীয় বছৰৰ বাবে ২.০০ কোটি টকাৰে মঞ্জুৰি প্রদান কৰিছে। জ্যোতি চিত্রবন ফিল্ম ষ্টুডিঅ'ৰ উন্নয়নৰ বাবে ১০.৭৯ কোটি টকাৰ আঁচনি কেন্দ্রীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু ৬ নং দফাৰ আধাৰত ৰাজ্য চৰকাৰে অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক ৰক্ষা কবচ আৰু অস্তিতৰ ৰক্ষাৰ বাবে সংবিধানৰ কেতবোৰ অনুচ্ছেদ সংশোধনৰ নিমিত্তে ১৪ টা প্রস্তাৰ কেন্দ্রলৈ প্রেৰণ কৰা হৈছে।

(ঙ) প্রশ্নৰ উত্তৰ দ্রষ্টব্য।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্রী মহোদয়ক মই সুধিব বিচাৰিছো, (ঘ) প্রশ্নৰ যিটো উত্তৰ দিছে সেইটো স্পেচিফিক হব লাগে। অসমৰ সুকীয়া অস্তিত্ব দুটা আছে - এটা ৰাজনৈতিক আৰু আনটো অর্থনৈতিক। এই দুয়োটা ক্ষেত্রত অস্তিত্বৰ ৰক্ষাৰ কাৰণে স্বর্গীয় দীনেশ গোস্বামী আৰু এল, চি, জৈন কলৈ দুখন কমিটি গঠন কৰি দিয়া হৈছিল। আৰু এই কমিটি দুখনৰ ৰিপোর্টও দাখিল কৰিছে। এই কমিটিৰ ৰিপোর্ট কার্য্যকৰী কৰিবৰ কাৰণে কেন্দ্রীয় চৰকাৰক কোৱা হৈছিল। গতিকে মই এই কথাটো স্পষ্টভাবে জানিব বিচাৰিছো, কমিটি দুখনৰ ৰিপোর্ট কার্য্যকৰী কৰাৰ ক্ষেত্রত অসমক ৰাজনৈতিক ভাবে সুকীয়া ষ্টেটাচ দিব লাগে বুলি আমি সময়ে সময়ে কৈ আহিছো। প্রয়োজন হলে কাশ্মীৰৰ নিচিনা এটা ষ্টেটাচ দিয়াৰ কাৰণেও আমি দাবী কৰি আহিছো। ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষেত্রত মন্ত্রী মহোদয়ে কেন্দ্রীয় চৰকাৰৰ লগত কি কি কথা পাতিছে আৰু কি কি উত্তৰ পাইছে, সেইটো সদনক জনাব লাগে।

* শ্রীভূমিধৰ বর্মণ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এই কমিটিৰ দুখনৰ ৰিপোর্ট সম্পর্কে বর্ত্তমান মোৰ হাতত নাই। এই সম্পর্কৰ কথাখিনি কালেক্ট কৰি সদনক দাখিল কৰিম।

* শ্রীপ্রমোদ গগৈ ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই সম্পর্কে প্রস্তাৰ অসম চৰকাৰে ভাৰত চৰকাৰক কি দিছে সেইটো কৈ দিব নেকি?

Shri Bhumidhar Barman, (Minister Accord Implementation) :

Sir, The following proposals were submitted to Central Govt. by State Government :-

---

* Speech not corrected

1. Amendment of Article 3 regarding prior approval of State Legislature for introduction of any bill affecting boundaries of the state of Assam, in the Parliament.

2. Amendment of Article II regarding prior approval of State Legislature for amendment of existing laws of citizenship affecting Assam.

3. Amendment of Article 16(3) for prescribing the condition of permanent residence in case of Assam in the matter of employment of appointment in the State.

4. Amendment of Article 26 for empower in the State Legislative to enact law laying down condition of knowledge of State language Assamese for appointment in the State.

5. Amendment of Article 35 for delection of the words Clause (3) of Article 16. If this is agreed to proposal under sl.3 above is not necessary.

6. Amendment of Article 35-A to provide safeguard to the existing law in force in Assam and future laws to be enacted by State legislature imposing restriction in the matter of employment etc. in the State of Assam.

7. Amendmend of Article 70(2) (3) regarding insertion of a clause withdrawing restrictions of total number of seat upto 200 AD in respect of Assam.

8. Amendment of Article 270 and 275(I) second proviso regarding grants to the State in respect of excise levied and collected outside the State on Tea, forests and other products in Assam.

9. Amendment of Article 347 regarding prior approval of State Legislature for direction by the President for official recognition of any language on demand by a substantial portion of population.

10. Amendment of Article 371-B regarding insertion of 371 BB imposing restriction on application of laws, rules, orders and

notifications of Central Govt. in matters of lands, settlements acquisition of immovable properties, employment, detection and expulsion of foreigners, and 371 BBB for reservation of seat for Assam Assembly and Parliament.

11. Amendment of Article 345-71 BBBB to make Assamese as the State Language of Assam for all purposes.

12. Amendment of Article B-71-B-371-BBBBB-President to constitute a Committee with members of the both House of Parliament and State Legislature having special knowledge etc. to suggest, measures for constitutional legislative and administrative safeguards to protect Assamese people. Report shall be places before Parliament and State Legislature.

13. Amendment of Part (II) of R. P. Act, 1950-Section 19(E) word ordinarily shall be replaced by the word Permanent.

14. Amendment of Section 20 of the above Act Expression ordinary resident given in section 20 shall be redundant.

শ্রী প্রমোদ গগৈ ঃ অধ্যক্ষ ডাঙৰীয়া, এই প্রস্তাৱ কোন তাৰিখে ভাৰত চৰকাৰক দিছিল আৰু ভাৰত চৰকাৰে কি প্রতুত্তৰ দিছে জনাব লাগে।

শ্রীভূমিধৰ বর্মণ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এইটো হ'ল No ECA 122/85/57 dtd. 20-10-86.

শ্রী প্রফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ ডাঙৰীয়া, দেখা যায় যে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰা নাই। (ক) প্রশ্নৰ যিটো উত্তৰ দিছে সেইটো শুদ্ধ নহয়। ৰাজনৈতিক আৰু অর্থনৈতিক অসমক চেফ গার্ড দিবৰ কাৰণে তেৱাৰী কমিশ্বনে ৰিপোর্ট চাবমিট কৰিছিল। এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ লগত কি যোগাযোগ কৰা হৈছে সেইটো জনাব লাগে।

শ্রীভূমিধৰ বর্মণ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এই বিষয় মই জানিব লাগিব।

শ্রীনগেন শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যি কেইটা প্রশ্নৰ উত্তৰ দিছে, সেই কেইটাৰ এটাও সঠিক উত্তৰ দিব পৰা নাই। চাৰি পাচ বছৰে দিয়া ৰিপোর্ট মন্ত্রী মহোদয়ৰ হাতত নাই, সদনক জনোৱা উচিত আছিল।

* ডঃ শ্রীজয়নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব পাৰিছোঁ যে তেখেতে যিখিনি কথা এই সম্পৰ্কে কৈছে, সেয়া সম্পূৰ্ণ ভূল তথ্য দিছে। আচলতে অসম চুক্তিৰ সম্পৰ্কে মন্ত্রী পর্য্যায়ত কোনো আলোচনা আজিলৈকে কৰাই নাই। কিন্তু মন্ত্রী মহোদয়ে, আলোচনা কৰা বুলি বাৰে বাৰে কৈছে। মাননীয় মহন্ত ডাঙৰীয়াই যিটো কথা কৈছে যে ১৯৮৩ চনতে তিয়াৰী কমিচনে এটা স্পষ্টভাবে ৰিপৰ্ট দিছিল যে কাশ্মীৰৰ নিচিনাকৈ অসমকো পলিটিকেল চেফ গার্ড দিয়া হ'ব। কিন্তু আজিলৈকে অসম চুক্তিৰ সম্পৰ্কত কোনো কামেই বর্ত্তমান চৰকাৰে হাতত লোৱা নাই। কিন্তু আজি মাননীয় মন্ত্রী মহোদয়ে সদনক ভূল তথ্য দি আছে। মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে এটা ৰুলিং দিব লাগে।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ৰ উত্তৰৰ পৰা বুজা গৈছে যে অসম চুক্তিৰ সম্পৰ্কত আজিলৈকে অসম চৰকাৰে আলোচনা কৰাটো বাদেই কেন্দ্রীয় চৰকাৰৰ লগত কোনো যোগাযোগৰ ব্যৱস্থা লোৱা নাই আৰু আনহাতে আমাক কোৱা হৈছে যোগাযোগ কৰা বুলি। যিহেতু আজি লৈকে আমাক মিছাকৈ ভূল তথ্য দি আহিছে, সেয়েহে তাৰ প্রতিবাদত আমি সদন ত্যাগ কৰিছোঁ।

(গণ পৰিষদৰ সদস্য সকলে সদন ত্যাগ কৰে।)

Mr. Speaker : Question Hour is over. Now short notice question No. 2. Questioner Shri Nijamuddin Khan Minister of PHE to reply.

(Starred question Nos 269 to 280 and deferred Starred Question Nos 70 and 174 could not be taken up as the question hour was over. However replies of the said questions deemed to have been laid on the table of the house).

Re :- Construction of road.

Shri Mission Ranjan Das asked :

* 269. Will the Minister of P.W.D. be pleased to state :

(a) Is it fact that one Ultimatum has been given to the Government demanding immediate starting of works of Ration Godown Road and Old Fish Market Road in Karimganj Town Market Area within specified time otherwise all roads connecting market will be closed by people in protest?

(b) If yes, what steps the Government has taken to complete the

* Speech not corrected

repairing/improvement works of these said road?

(c) When works will be completed?

Shri Sarat Barkatoky (Minister, State P.W.D. Plains) replied :

(a) Yes.

(b) Steps have taken to complete the repairing works.

(c) Expected to complete works within 30,06.1995.

বিষয় ঃ আধাৰশিলা স্থাপন।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা, শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

* ২৭০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ টীয়ক সমষ্টিত প্ৰতিস্থিত বন গবেষণা কেন্দ্ৰ আজি পৰ্য্যন্ত নিৰ্ধাৰিত স্থানত স্থায়ীভাৱে কাৰ্য্যনিৰ্বাহ নকৰাৰ কাৰণ কি?

(খ) কেন্দ্ৰীয় বন মন্ত্ৰী দপ্তৰে শেহতীয়াকৈ কেন্দ্ৰটো স্থানান্তৰ কৰাৰ বাবে আচনি গ্ৰহণ কৰিছে নেকি?

(গ) বৰ্ত্তমান চৰকাৰে ১৯৮৮ চনতে স্থাপিত কেন্দ্ৰটো স্থায়ী ভৱনৰ নিদিষ্ট সময়ৰ ভিতৰত আধাৰশিলা স্থাপন কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলাই এই ক্ষেত্ৰত সদনত এটা স্পষ্ট আশ্বাস দিবনে?

শ্ৰীছামছুল হুদা (বন্যপ্ৰানী আৰু সামাজিক বনানীকৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ))য়ে উত্তৰ দিছে ঃ

(ক) বন গবেষণা কেন্দ্ৰৰ প্ৰস্তাৱিত চৌহদৰ একাবেকা সীমা পোনাই লোৱা আৰু বিজ্ঞান মহাবিদ্যলয়ৰ কেইটামান ঘৰ হস্তান্তৰ কৰাৰ প্ৰস্তাৱ কাৰ্য্যকৰী হৈ উঠা নাই কাৰণে উক্ত নিৰ্দ্ধাৰিত স্থানত স্থায়ীভাৱে কাৰ্য্য নিৰ্বাহ কৰিব পৰা হোৱা নাই।

(খ) কেন্দ্ৰটো স্থানান্তৰ কৰাৰ আঁচনি সম্পৰ্কে ৰাজ্য চৰকাৰে অৱগত নহয়।

(গ) বন গবেষণা কেন্দ্ৰৰ কৰ্ত্তৃপক্ষৰ লগত ৰাজ্য চৰকাৰে যোগাযোগ অব্যাহত ৰাখিছে।

Re : Finance for Road & Over Bridge.

Shri Kali Ranjan Deb asked :

* 271. Will the Minister of State for P.W.D. (Plains) be pleased to state.

(a) Whether Government will undertake construction work of

Haritikor-Sadirkhal Road together with construction of bridge over river Kinnerkhal in Katigora constritency of Cachar District within current financial year?

(b) Whether fund for above work has since been allocated by the Government?

(c) If so, what is the total amount?

Shri Sarat Barkatoky (State P.W.D. Minister Plains) replied :

(a) Not in financial year 1994-95. The work will be under taken in the financial year i.e. 1995-96. The Administrative approvals have already been issued for Rs. 78.83 lakhs for Road and approaches of the bridge and Rs. 1,18,17,000.00 lakhs for bridge proper only.

(b) No.

(c) No.

বিষয় ঃ নতুন বজাৰ নির্মাণ।

শ্রীধ্রুবকুমাৰ সেনে সুধিছে ঃ

* ২৭২। মাননীয় নগৰ আৰু গ্রাম্য পৰিকল্পনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰীত মাছ বজাৰ আছে সেই বজাৰটো নতুনকৈ টাউন এণ্ড কানট্রি প্লেনিঙে বনোৱাৰ পৰিকল্পনা লৈছে নেকি?

(খ) যদি লৈছে তেনেহলে সোনকালে ব্যৱস্থা ল'বনে?

(গ) উক্ত কামটো কাৰ জৰিয়তে হ'ব?

শ্রীঅঞ্জন দত্ত (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্রী, (স্বতন্ত্র দায়িত্ব প্রাপ্ত ৰাজ্যিক মন্ত্রী)) য়ে উত্তৰ দিছে ঃ

(ক) হয়, লোৱা হৈছে।

(খ) হয়, সোনকালে ব্যৱস্থা লোৱা হৈছে।

(গ) উক্ত কাম ধুবুৰী পৌৰসভাৰ জৰিয়তে হ'ব।

বিষয় ঃ এম, এল, এ, আৰু এম, পি, উন্নত এলেকা।

শ্রীপ্রণৱ কুমাৰ নাথ, শ্রীচিত্তেন্দ্র নাথ মজুমদাৰে জিজ্ঞাসা কৰছেন ঃ

* ২৭৩। মাননীয় পরিকল্পনা ও উন্নয়ন বিভাগের মন্ত্রী মহোদয় দয়া করে জানাবেন কি ঃ

(ক) রাজ্য সরকার ও জিলা প্রশাসন রাজনৈতিক উদ্দেশ্যপ্রণোদিত ভাবে ১৯৯৪-৯৫ অর্থ বর্ষের জন্য মঞ্জুরী MLAs' & MPs' Area Development Scheme – এর কাজ শুরু করতে বিলম্ব করছে এ বিষয়ে সরকার অবহিত আছেন কি? যদি না, কেন? যদি আছেন তাহলে রাজ্য সরকার এ ব্যাপারে কি কি কার্য্যকরী ব্যবস্থা নিয়েছে – বিশদ তথ্য সদনের টেবিলে দাখিল করিবেন?

(খ) ১৯৯৪-৯৫ অর্থ বর্ষের জন্য MLAs' & MPs' Area Development Scheme করিমগঞ্জ ও হাইলাকান্দি জেলায় মার্চ মাসের (৮৫ ইং) শেষ কবা হয়েছে তার তালিকা সদনের টেবিলে দাখিল করিবেন এবং এগুলি Guideline অনুযায়ী করা হচ্ছে কি?

শ্রী হিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তব দিছে ঃ

(ক) এই অভিযোগ ভিত্তিহীন। MLAs' এবং MPs' Area Development Scheme – এর কাজ শুরু করতে রাজ্য সরকার বা জেলা প্রশাসন স্তরে কোন বিলম্ব হয়নি।

(খ) ১৯৯৪-৯৫ অর্থ বর্ষের জন্য MLA এবং MP দের Area Development Scheme – এর কাজ করিমগঞ্জ এবং হাইলাকান্দিতে Guideline অনুযায়ী সম্প্রতি আরম্ভ হয়েছে।

বিষয় ঃ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা ঃ

শ্রীভূপেন ভূঞাই সুধিছে ঃ

* ২৭৪। মাননীয় সামাজিক বনানীকৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) কাজিৰঙা অভয়াৰণ্যৰ আশে-পাশে বসবাস কৰা গাওঁ সমূহৰ ৰাইজৰ খেতি-বাতি থকা ঘৰ আদি বন্যজন্তুৱে নষ্ট কৰাৰ ক্ষেত্রত ক্ষতিপুৰণ দিয়াৰ কিবা ব্যৱস্থা আছেনে?

(খ) যদি আছে কেনেধৰণৰ ক্ষতিপূৰণৰ ব্যৱস্থা আছে জনাবনে?

শ্রীছামছুল হুদা (বন্যপ্রাণী বিভাগৰ ৰাজ্যিক মন্ত্রী (স্বতন্ত্র))য়ে উত্তৰ দিছে ঃ

(ক) বন্যজন্তুয়ে খেতি-বাতি, ঘৰ-দুৱাৰ নষ্ট কৰাৰ ক্ষেত্রত কোনো ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা এতিয়ালৈকে হোৱা নাই। এই বিষয়টো বর্ত্তমান চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰি আছে।

(খ) প্রশ্ন নুঠে।

বিষয় ঃ পশুচিকিৎসালয়ৰ সংখ্যা।

* Speech not corrected

শ্রীআলাউদ্দিন সৰকাৰে সুধিছে ঃ

* ২৭৫। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্য পর্য্যায়ত মুঠ কিমানখন পশুচিকিৎসালয় আৰু উপ-পশু চিকিৎসালয় আছে? (জিলা পর্য্যায়ত সংখ্যা উনুকিয়াব)।

(খ) পশুচিকিৎসা পশুপালনৰ বাবে উক্ত সংখ্যা যথেষ্টনে?

(গ) চৰকাৰৰ পশুচিকিৎসা সম্প্রসাৰণৰ বাবে নতুনকৈ পশুচিকিৎসালয় পতাৰ দাবী ৰাইজৰ পৰা পাইছেনে?

(ঘ) যদি পাইছে চৰকাৰে উক্ত সেৱা সম্প্রসাৰণৰ বাবে কি ব্যৱস্থা গ্রহন কৰিছে?

(ঙ) এই ক্ষেত্রত স্বতস্ফূর্ত্তভাৱে ৰাইজে চিকিৎসালয় আদি নির্মাণৰ বাবে মাটি যোগান ধৰাৰ প্রস্তুত বুলিও চৰকাৰে অৱগতনে?

শ্রীজগন্নাথ সিংহ (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পশু চিকিৎসালয় ৪৫০ খন আৰু পশু উপ-চিকিৎসালয় ১২৭৮ খন। (জিলাভিত্তিক পৰিসংখ্যা যথাক্রম ANNEXURE-I আৰু ANNEXURE-II ত দিয়া হ'ল।

(See the Annexure III and IV)

(খ) নহয়।

(গ) পোৱা হৈছে।

(ঘ) আর্থিক দিশৰ ওপৰত নির্ভৰ কৰি ৰাইজৰ দাবীৰ প্রতি সহাঁৰি দিয়াৰ প্রচেষ্টা চলোৱা হ'ব।

(ঙ) অসমৰ কোনো কোনো ঠাইৰ ৰাইজৰ পৰা এনে প্রস্তাব পোৱা হৈছে। প্রয়োজনৰ ভিত্তিত আৰু প্রস্তাবিত মাটিৰ মালিকানা স্বত্ব আৰু অৱস্থা আদি পরীক্ষা কৰি চাই এনে প্রস্তাব চৰকাৰে বিবেচনা কৰিব।

Re : Treasury Office.

Shri Parameswar Brahma asked :

* 276. Will the Minister of Finance be pleased to State :

(a) Whether steps have been taken up by the Govt. of Assam to set up the Treasury office at Gossaigaon?

(b) Will the Govt. set up it within this financial year?

Shri Jibakanta Gogoi (Minister of Finance) replied :

(a) Yes.

(b) The State Government are awaiting the clearance from the Reserve Bank of India in this connection.

বিষয় ঃ মিনি ষ্টেডিয়াম।

শ্রীবদন বৰুৱাই সুধিছে ঃ

* ২৭৭। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জিলা গ্রামোন্নয়ন অভিকৰণৰ জৰিয়তে অসমত কিমানখন মিনি ষ্টেডিয়াম নির্মাণ কৰা হৈছে?

(খ) কামৰূপ জিলাৰ হাজো উন্নয়ন খণ্ড এলেকাত কিমানখন মিনি ষ্টেডিয়াম আৰম্ভ কৰা হৈছিল?

(গ) 'খ' উল্লেখিত মিনি ষ্টেডিয়ামৰ কেইখন সম্পূর্ণ হৈছে?

(ঘ) যদি হোৱা নাই কিয় হোৱা নাই?

শ্রীগৌতম ৰয়ে (গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) উত্তৰ দিছে ঃ

(ক) ৫২ খন।

(খ) আৰম্ভ কৰা নাই।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ পথ আৰু দলং মেৰামতি।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

* ২৭৮। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ৰাজ্যখনৰ শোচনীয় হৈ থকা পথ আৰু দলং সমূহৰ মেৰামতি/উন্নয়ন/পুনৰ নির্মাণৰ ক্ষেত্রত ৰাজ্য চৰকাৰে কিবা ব্যৱস্থা গ্রহণ কৰিছে নেকি?

(খ) ধেমাজি জিলাৰ বাবে চৰকাৰে কিমান টকা অনুমোদন জনাইছে?

(গ) বর্ত্তমানলৈকে কিমান টকা মুকলি দিছে? ইয়াৰ এখন প্রতিবেদন জিলা ভিত্তিত দাখিল কৰিব?

(ঘ) ধেমাজিৰ গড়কাপ্তানী সংমণ্ডল (পথ)ৰ কার্য্যলয় কেতিয়া স্থাপন কৰিব?

(ঙ) ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ উত্তৰ লক্ষীমপুৰৰ পৰা জোনাইলৈ এইচোৱা পথ বহল কৰাৰ (ডাবোল লেন) বাবে চৰকাৰে কিবা আঁচনি প্ৰস্তুত কৰিছে নেকি?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(খ) ধেমাজি জিলাৰ মিলামাৰা পথ আৰু চাউলধোৱাঘাট ৰাষ্ট্ৰীয় পথ সংমণ্ডলৰ বাবে পথ আৰু দলংৰ মেৰামতি/উন্নয়ন/পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত ১৯৯৪-৯৫ বাৰ্ষিক পৰিকল্পনা শিতানত ৩৫৩.১৮ লাখ টকা অনুমোদন জনাইছে।

(গ) টকা জিলা ভিত্তিত মুকলি কৰি দিয়া নহয়, সংমণ্ডলৰ ভিত্তিত হে দিয়া হয়। ইয়াৰ এখন প্ৰতিবেদন গাঠি দিয়া হৈছে।

(See the Annexure-V)

(ঘ) চৰকাৰৰ সন্মতি সাপেক্ষে স্থাপন কৰা হব। বৰ্ত্তমানে বিবেচনাধীন হৈ আছে।

(ঙ) ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ লক্ষীমপুৰৰ পৰা জোনাই লৈ এই পথচোৱা পৰ্য্যায়ক্ৰমে কিছু অংশ বহল কৰাৰ আঁচনি প্ৰস্তুত কৰা হৈছে।

বিষয় ঃ ধন মুকলি।

শ্ৰীনগেন শৰ্মাই সুধিছে ঃ

* ২৭৯। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দুগ্ধ উন্নয়ন বিভাগৰ ১৯৯৪-৯৫ চনৰ পৰিকল্পনা ধনৰ কিমান শতাংশ ধন মাৰ্চলৈকে মুকলি কুৰি দিয়া হৈছে?

(খ) দুগ্ধ উন্নয়ন বিভাগে ১৯৯৪-৯৫ চনত কি কি নতুন আঁচনি হাতত লৈছে?

শ্ৰীজগন্নাথ সিংহ (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৪৫.১৮% সাধাৰণ এলেকাৰ।

৪৮.৫১% পাৰ্বত্য এলেকাৰ।

(খ) Integrated Dairy Development Project under Non operation Flood, Hilly and Backward Areas of Assam 1994-97 নামৰ এখন আঁচনি ভাৰত চৰকাৰৰ সাহায্যৰে হাতত লোৱা হৈছে।

বিষয় ঃ পঢ়াশালী আৰু ৰাস্তা পদুলি।

---

* Speech not corrected

শ্রীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ

* ২৮০। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজধানীৰ গাতে লাগি থকা গুৱাহাটী মহানগৰীৰ বড়ো আৰু কাৰ্বি জনজাতি লোকৰ বসতিস্থান দক্ষিণগাওঁ আৰু সোনাইঘুলীৰ পঢ়াশালী, ৰাস্তা পদুলিৰ অৱস্থা উন্নত কৰাৰ বাবে চৰকাৰে কিবা আঁচনি গ্রহণ কৰিছে নেকি?

(খ) দক্ষিণগাওঁ কাহিলীপাৰা ৰাস্তাটো পি, ডব্লিউ, ডি বিভাগে উন্নত কৰাৰ বাবে কিমান টকা ধার্য্য কৰিছে?

(গ) উক্ত ৰাস্তাটো কেৱল শিলগুটি পেলাই সম্পূর্ণ কৰিবনে পিটচ্ দিয়াৰ ব্যৱস্থা কৰিব?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) উক্ত অঞ্চলৰ পঢ়াশালী ৰাস্তা পদুলিৰ উন্নয়ণৰ বাবে ধনৰ যোগান অনুসৰি ১৯৯২-৯৩ আৰু ১৯৯৪-৯৫ চনৰ বার্ষিক পৰিকল্পনাত প্রয়োজনীয় আঁচনি গ্রহণ কৰা হৈছে।

(খ) ১৯৯৪-৯৫ চনৰ বার্ষিক পৰিকল্পনাত ৪,০০০.০০/- টকা ধার্য্য কৰা হৈছে।

(গ) সাম্প্রতিক নির্মাণৰ কাম মাটি উঠাই ওখ কৰা আৰু শিলগুটি দিয়াতে সীমিত থাকিব, কাৰণ আবন্টিত ধন পকীকৰণৰ কাৰণে যথেষ্ট নহয়।

(২২/৩/৯৫ ইং তাৰিখৰ পিছুৱাই দিয়া প্রশ্নোত্তৰ)

বিষয় ঃ পথ আৰু দলং মেৰামতি।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

* ৭০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সমগ্র অসমত গড়কাপ্তানী বিভাগে পথ আৰু দলং মেৰামতি আৰু পুনৰ নির্মাণৰ কাৰণে ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪, ৯৪-৯৫ চনৰ বিত্তীয় বছৰত কিমান কোটি টকা খৰছ কৰিলে? (বছৰ ভিত্তিত দেখুৱাব) আৰু কোন কোন জিলাত কিমানকৈ টকা ধৰা হৈছিল?

(খ) নগাওঁ জিলাৰ বঢ়মপুৰ সমষ্টিৰ বাবে উক্ত বিত্তীয় বছৰ সমূহত কিমান টকা খৰছ হৈছিল আৰু কোন কোন পথ দলংৰ উন্নতি সাধন করা হৈছিল? উক্ত সময়ছোৱাত কিমান কিলোমিটাৰ পথ উক্ত সমষ্টিৰ ভিতৰত 'ব্লেকটপিং' কৰা হ'ল?

(গ) ১৯৯৫-৯৬ চনৰ বাবে উক্ত সমষ্টিৰ ৰাস্তা দলঙৰ উন্নতিৰ বাবে কি কি আচনি হাতত লোৱা হৈছে আৰু তাৰ বাবে কিমান টকা ধার্য্য কৰা হৈছে?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্রীয়ে উত্তৰ দিছে ঃ

(ক) গড়কাপ্তানী বিভাগে সমগ্র অসমৰ পথ আৰু দলং মেৰামতি আৰু পুনৰ নির্মাণৰ কাৰণে খৰচ কৰা টকাৰ পৰিমাণৰ তালিকা গাঠি দিয়া হৈছে।

(See the Annesure-VI)

টকা কোনো জিলা ভিত্তি দিয়া নহয়, সংমণ্ডলৰ ভিত্তিহে দিয়া হয়।

(খ) নগাওঁ জিলাৰ বঢ়মপুৰ সমষ্টিৰ বাবে উক্ত বিত্তীয় বছৰ সমূহত খৰছ কৰা টকাৰ পৰিমাণ এনে ধৰণৰ ঃ-

১৯৯১-৯২ = ২০.৭১ লাখ টকা
১৯৯২-৯৩ = ১৩.৯৩ লাখ টকা
১৯৯৩-৯৪ = ১৩.৬৮ লাখ টকা
১৯৯৪-৯৫ = ২৩.৫৭ লাখ টকা

উন্নতি কৰা পথ আৰু দলং সমূহৰ তালিকা গাঠি দিয়া হ'ল। উক্ত সময়ছোৱাত ব্লেকটপিং কৰা পথৰ পৰিমাণ হ'ল ৪.৩৮৩ কিঃ মিঃ।

(গ) ১৯৯৫-৯৬ চনৰ বাবে উক্ত সমষ্টিৰ ৰাস্তা-দলংৰ উন্নতিৰ বাবে লোৱা আঁচনিসমূহৰ তালিকা গাঠি দিয়া হ'ল। ইয়াৰ বাবে ধার্য্য কৰা মুঠ টকাৰ পৰিমাণ হ'ল ৪৮.০১ লাখ টকা।

(Deffered starred Question No. 174 of 29-3-95)

বিষয় ঃ পথ পকীকৰণ।

শ্রীযতীন মালীয়ে সুধিছে ঃ

* ১৭৪। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী) মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী সমষ্টিৰ তলত দিয়া পথ কেইটাত ১৯৯১-৯২, ৯২-৯৩ আৰু ১৯৯৩-৯৪ বিত্তীয় বছৰত পকীকৰণৰ অর্থে টকা অনুমোদন দিয়াটো সচাঁনে?

১। কোকঝাৰ-বঙ্গাঁৰা পথ, ২। পাল্লী-গদেবড়ী পথ, ৩। মির্জা টাউনশ্বিপমেন্ট, ৪। তিনিআলি-ৰাণী পথ (গোসাঁইহাটলৈ), ৫। বাটৰহাট-সহাফাৰা পথ, ৬। ভাগৰতীপাৰা, নহিবা গুইমাৰা পথ, ৭। ভূৰাপাৰা-ধনতোলা পথ, ৮। জেজাবতী-কুলদুং পথ, ৯। পলাশবাৰী লোহাৰঘাট ৰাজাপাৰা পথ (বাগানবজাৰত), ১০। পলাশবাৰী-লোহাৰঘাট-বাজাপাৰা পথ (লোহাৰঘাটত), ১১। পলাশবাৰী-লোহাৰঘাট-বজাপাৰা পথ (লোহাৰঘাটৰ চিকিৎসালয়ত)।

(খ) যদি সঁচা, উল্লেখিত পথ কেইটাৰ পকীকৰণৰ অর্থে প্রতিটোত কিমান টকা দিয়া আছে জনাবনে?

(গ) প্লেনৰ টকা অনুমোদন দি পকীকৰণ কৰিবলৈ লোৱা পথ কেইটাৰ বৰ্ত্তমানলৈ এটাৰহে কাম হৈ বাকীবোৰৰ কাম নোহোৱাৰ কাৰণ কি জনাবনে?

(ঘ) ১৯৯৪ বৰ্ষটো চৰকাৰে উন্নয়নী বৰ্ষ হিচাপে পালন কৰি সমষ্টিটোত এনেকুৱা নিম্ন মানদণ্ডৰ উন্নযনমুলক কাম কৰাতোৱে উন্নয়নী বৰ্ষৰ বিফলতা নুবুজাবনে, লগতে চৰকাৰৰ কথা আৰু কামৰ যে সামঞ্জস্য নাই তাক নুবুজায়নে?

(ঙ) আমি জনাত যুদ্ধৰ সময়তো "প্লেন"ৰ টকাৰে অনুমোদন দিয়া আঁচনিৰ কাম বন্ধ হৈ নাযায় অথচ অসমত বৰ্ত্তমান স্বাভাবিক অৱস্থাতে "প্লেন"ৰ টকা কলৈ গ'ল জনা নাযায় কি আৰু "প্লেন"ৰ টকাৰে অনুমোদিত আঁচনিৰ কাম নহয় কিয়? (বিতং ব্যাখ্যা দিব)।

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ রাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) ওপৰত উল্লেখ কৰা পথ কেইটাৰ পকীকৰণৰ অর্থে অনুমোদন কৰা টকা আৰু বিত্তীয় বছৰৰ তথ্য অনুসূচী (১)ত ইয়াৰ লগত গাঁঠি দিয়া হ'ল।

(See the Annexure-VII)

(গ) ওপৰোক্ত ১১ টা আঁচনিৰ ভিতৰত ২ টাৰ (৪ নং আৰু ৯ নং আঁচনি) কাম সম্পূর্ণ কৰা হৈছে। ইয়াৰ বিশদ বিৱৰণ অনুসূচী (২)ত ইয়াৰ লগত গাঁঠি দিয়া হ'ল। ঠিকাদাৰৰ অসহযোগৰ বাবে বাকী থকা কামখিনি কৰিব পৰা হোৱা নাই।

(See the Annexure-VIII)

(ঘ) ১৯৯৪ বৰ্ষটোত পলাশবাৰী সমষ্টিত বার্ষিক পৰিকল্পনাৰ কামৰ উপৰিও ভালেখিনি পথ আৰু দলং মেৰামতিৰ শিতানৰ পৰা সম্পূর্ণ কৰা হৈছে। উন্নয়নমূলক কাম বা মেৰামতিৰ কামৰ মানদণ্ড নিম্নগামী হোৱা নাই। গতিকে চৰকাৰৰ কথা আৰু কামৰ সামঞ্জস্য নাই বুলি কোৱা অভিযোগ প্রযোজ্য নহয়। মেৰামতি কামৰ খতিয়ান অনুসূচী (৩)ত ইয়াৰ লগত গাঁঠি দিয়া হ'ল।

(See the Annexure-IX)

(ঙ) "প্লেন"ৰ টকাৰে অনুমোদন দিয়া আঁচনিৰ কাম সম্পূর্ণ বন্ধ হোৱা অভিযোগ সত্য নহয়। অনুসূচী (৪)ত প্লেনৰ আঁচনিৰ খতিয়ান ইয়াৰ লগত গাঁঠি দিয়া হ'ল। "ঘ" প্রশ্নোত্তৰ সন্দর্ভত পলাশবাৰী সমষ্টিত মেৰামতিৰ অধীনত হাতত লোৱা কামৰ খতিয়ান অনুসূচী (৩)ত ইয়াৰ লগত গাঁঠি দিয়া হ'ল।

(See the Snnexure-X)

বিষয় ঃ নলীনাদ বহুৱাবলৈ **Beneficiary**-ৰ তালিকা।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনৰ কাৰণে বৰপেটা জিলাৰ বিধায়ক সকলৰ পৰা নলীনাদ বহুৱাবলৈ Beneficiary-ৰ তালিকা বিচৰাটো সঁচানে?

(খ) যদি সঁচা, প্রতিজন বিধায়কৰ পৰা কিমান জনকৈ Beneficiary-ৰ তালিকা বিচৰা হৈছিল?

(গ) এতিয়ালৈকে বিধায়ক সকলৰ তালিকাৰ ভিত্তিত কিমানটা কৈ নলীনাদ বহুৱা হৈছে সমষ্টি ভিত্তিত জনাবনে?

(ঘ) এতিয়ালৈ বাকী থকা (বিধায়ক সকলৰ তালিকা ভিত্তিত) নলীনাদ সমূহ কিমান দিনৰ ভিতৰত বহুৱা হব?

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নলীনাদ বহুৱাবলৈ গাওঁসমূহৰ তালিকা বিচৰাটো সঁচা।

(খ) প্রতিজন বিধায়কৰ পৰা ১৯৯২-৯৩ চনৰ বাবে ৩৫ টা আৰু ১৯৯৩-৯৪ চনৰ বাবে ২৫ টা কৈ নলীনাদ বহুৱাবৰ বাবে গাওঁ সমূহৰ তালিকা বিচৰা হৈছিল।

(গ) ১৯৯২-৯৩ চনৰ তালিকাৰ পৰা বহুৱা নলীনাদৰ সংখ্যা (সমষ্টি ভিত্তিত) তলত উল্লেখ কৰা হ'ল।

	সমষ্টিৰ নাম	নলীনাদৰ সংখ্যা (বিধায়কৰ তালিকা ভিত্তি)
(১)	চেঙা	৩০ টা
(২)	সৰু ক্ষেত্রী	২৮ টা
(৩)	জনিয়া	২১ টা
(৪)	বাঘবৰ	৩১ টা
(৫)	বৰপেটা	২৮ টা
(৬)	ভবানীপুৰ	১০ টা
(৭)	পাটাচাৰকুছি	২০ টা
(৮)	চাপাগুৰি	১৪ টা

(ঘ) তালিকাত থকা চুবা সমূহত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা (উৎস) নাথাকিলে (NC) এই বছৰতে নলীনাদ বহুৱাবলৈ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ খোৱা পানী যোগান আঁচনি।

শ্রীজীউৰাম বড়োই সুধিছে ঃ

৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কলাইগাওঁ সমষ্টিৰ অন্তর্গত কিমানটা 'পাইপ ওৱাটাৰ' আঁচনি আছে আৰু সেইবোৰৰ নাম কি কি, সেইবোৰ আৰু মঙ্গলদৈ সমষ্টিৰ অন্তর্গত কেহোতলী আৰু ভকতপাৰা পাইপ ওৱাটাৰ আঁচনি কি অৱস্থাত আছে অৱগতনে?

(খ) এইবোৰ আঁচনি সমূহৰ আৰু খোৱা পানীৰ অন্যান্য আঁচনি সমূহৰ বাবে ইং ১৯৯০-৯৫ চনৰ ভিতৰত কিবা ধন মঞ্জুৰী কৰা হৈছিল নেকি?

(গ) যদি হৈছিল কোন কোন চনত কোন কোন আঁচনিৰ বাবে ৰাজ্যিক চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰে কিমান পৰিমাণকৈ ধন মঞ্জুৰী কৰা হৈছিল অনুগ্রহ কৰি জনাবনে?

শ্রীদীনেশ প্রসাদ গোৱালা (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ)য়ে উত্তৰ দিছে ঃ

(ক) (১) কালাইগাওঁ সমষ্টিত ৩২ টা পাইপ আঁচনি আছে। আঁচনি সমূহৰ তালিকা লগত গাঁঠি দিয়া হ'ল।

(See the Annerure-II)

(২) হয় অৱগত।

(খ) হয়, হৈছিল।

(গ) আঁচনি ভিত্তিত ধন মঞ্জুৰ কৰা নহয়।

* শ্রীজীউৰাম বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে মোৰ প্রশ্নৰ উত্তৰ কালত জনাইছে যে ২২/৩/৯৫ তাৰিখে মোৰ সমষ্টি কলাইগাওঁত খোৱা পানীৰ আঁচনিৰ শিতানত ভালেমান টকা মঞ্জুৰি দিয়া হৈছে বুলি কৈছে। কিন্তু এতিয়ালৈকে তাত কোনো কাম হোৱা নাই। তাৰ কাৰণে ৰাইজৰ যথেষ্ট অসুবিধা হৈছে। গতিকে, মন্ত্রী মহোদয়ে অতি সোনকালে খোৱা পানীৰ ব্যৱস্থা হাতত লব নেকি, তাৰ বাবে অনুৰোধ জনালোঁ।

* শ্রীদীনেশ প্রসাদ গোৱালা (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, অতি সোনকালে কৰি দিয়াৰ ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ ঋণৰ পৰিমাণ।

---

* Speech not corrected

শ্রীহিতেশ্বৰ ডেকাই সুধিছে ঃ

৪। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৮৩ চনৰ ১ জানুৱাৰীৰ পৰা বর্ত্তমানলৈকে ৰাজ্য চৰকাৰে (১) কেন্দ্রীয় চৰকাৰ (২) বিশ্ব বেংক আৰু (৩) অন্যান্য অনুষ্ঠান আদিৰ পৰা লোৱা ঋণৰ মুঠ পৰিমাণ কিমান?

(প্রতিটো বিত্তীয় বর্ষৰ তথ্য পৃথক পৃথককৈ দিব)

(খ) এই সময়ছোৱাত লোৱা ঋণৰ 'সুদ'ৰ বাবদ ৰাজ্য চৰকাৰে দিবলগীয়া মুঠ ধনৰ পৰিমাণ কিমান?

(গ) বর্ত্তমানলৈকে মুঠতে কিমান ঋণ পৰিশোধ কৰা হৈছে আৰু কিমান পৰিশোধ কৰিবলৈ বাকী আছে? (পৰিশোধ কৰা ঋণৰ পৰিমাণ আৰু সুদৰ পৰিমাণ প্রতিটো বিত্তীয় বর্ষৰ তথ্য পৃথক পৃথকৈ দিব)।

(ঘ) বর্ত্তমান ৰাজ্যখনত জনমুৰি ঋণৰ পৰিমাণ কিমান?

শ্রীজীৱকান্ত গগৈয়ে উত্তৰ দিছে ঃ

(ক), (খ) আৰু (গ) ১৯৮২-৮৩ চনৰ পৰা ১৯৯৩-৯৪ চনলৈ প্রতি বছৰে ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰ আৰু অন্যান্য অনুষ্ঠান প্রতিষ্ঠান আদিৰ পৰা লোৱা ঋণৰ পৰিমাণ প্রতি বছৰে দিয়া সুদৰ পৰিমাণ, কিমান ঋণ পৰিশোধ কৰা হ'ল আৰু কিমাণ পৰিশোধ কৰিবলৈ বাকী আছে প্রবিৱৰণ আকাৰত সদনৰ মেজত ৰখা হ'ল।


বিষয়ঃ- খহনীয়া প্ৰতিৰোধ ।

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

৬৫৪ । মাননীয় গ্ৰামোন্নয়ন, পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী পানীখাইতি, কান্দুলীমাৰী এলেকাৰ খহনীয়া প্ৰতিৰোধৰ কাম ১৯৯২-৯৩ বিত্তীয় বছৰত আপোনাৰ বিভাগৰ জৰিয়তে কৰাটো সচাঁনে ?

(খ) উক্ত আঁচনিটো মুঠ কিমান টকাৰ আছিল ?

(গ) আঁচনিৰ কাম বৰ্তমান সম্পূৰ্ণ হৈছেনে ?

(ঘ) আঁচনিৰ কাম যদিহে সম্পূৰ্ণ হৈছে আঁচনি নিৰ্মাণৰ লগত জৰিত ব্যক্তি সকলক পাবলগীয়া টকা আদায় দিয়া হলনে ? (কোনে কোনে নিৰ্মাণৰ দায়িত্ব লৈছিল তেখেতৰ নাম, পাবলগীয়া মুঠ টকাৰ পৰিমাণ আৰু আদায় দিয়া টকাৰ পৰিমাণ দিব)

(ঙ) আঁচনিটো সৰ্বমুঠ কিমানজন শ্ৰমিকে কাম কৰিছিল ? তেওঁলোকে পাবলগীয়া মজুৰীৰ টকাবোৰ পালেনে ? যদি পোৱা নাই, নোপোৱাৰ কাৰণ জনাবনে ?

শ্ৰীগৌতম ৰয় (গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯২-৯৩ চনত কৰাটো সচাঁ নহয় ।

(খ) প্ৰশ্ন নাহে ।

(গ) প্ৰশ্ন নাহে ।

(ঘ) প্ৰশ্ন নাহে ।

(ঙ) প্ৰশ্ন নাহে ।

বিষয় ঃ- বিলাতি মদৰ অনুজ্ঞাপত্ৰ ।

শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ

৬৫৫ । মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মেহাদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ সৰ্ব্বমুঠ কিমানজন ব্যক্তিক বিলাতি মদৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে জিলা ভিত্তিত এটি তালিকা সদনত দাখিল দিবনে ?

(খ) অনুজ্ঞাপত্ৰ বিহীন মদ বিক্ৰী কৰা বিভিন্ন ঠাইত চলি আছে আৰু চৰকাৰৰ বিভিন্ন ক্ষতি হৈছে এই সম্পৰ্কে চৰকাৰে কিবা অবগত আছে নে ? যদি আছে, অনুজ্ঞাপত্ৰ বিহীন মদ বিক্ৰী কৰা বন্ধ কৰিবনে ?

(গ) আবকাৰী বিভাগৰ পৰা চৰকাৰে বছৰি কিমান টকা ৰেভিনিউ জমা হয় জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ দিয়া বিলাতী মদৰ অনুজ্ঞাপত্ৰ এনেধৰণৰ ঃ-

১। বিলাতী মদৰ খুচুৰা অফ (off)	=	২০৮ খন
২। বিলাতী মদৰ খুচুৰা অন (on)	=	২৩ খন
৩। বিয়েৰ অফ (off)	=	১১ খন
৪। বিয়েৰ অন (on)	=	১৬ খন

(জিলা ভিত্তিত এখন তালিকা গাঁঠি দিয়া হ'ল)

(See the Annexure-XVII)

(খ) কৰ্তৃত্ববিহীন ভাৱে মদৰ প্ৰচলন আৰু বিক্ৰী কিছু পৰিমাণে হৈ থকাটো নুই কৰিব নোৱাৰি। এনে পৰিস্থিতি চম্ভালিবলৈকে অসম মদ নিবাৰনী আইন খন হাজো গাওঁপঞ্চায়ত এলেকা আৰু বৰপেটা চহৰৰ বাহিৰে সামগ্ৰীকভাৱে জিলাসমূহৰ পৰা উঠাই লোৱা হয় আৰু অসম আবকাৰী আইনৰ অধীনত যিবিলাক চহৰত/অঞ্চলত জনসংখ্যা দহ হেজাৰতকৈ অধিক তেনে ঠাই বিলাকত বিদেশী মদৰ অনুজ্ঞাপত্ৰ দিবলৈ বিবেচনা কৰা হয় ।

এনে অবৈধ মদৰ বিক্ৰী বন্ধ কৰিবলৈ সঘনে আবকাৰী অভিযান চলোৱাৰ উপৰিও তহলদাৰি দল সমূহে তেনে ঠাইবিলাকত চোকা পহৰা দিয়াৰ কাম সম্পাদন কৰে ।

(গ) বিগত ৪ বছৰৰ আবকাৰী ৰাজহ তলত দিয়া ধৰণৰ ঃ-

চন	ৰাজহ
১৯৯১-৯২	১৪,৯২,৫৭,৬২৯.০০ টকা
১৯৯২-৯৩	১৯,২০,৬৫,৯১৭.০০ টকা

১৯৯৩-৯৪	২২,৭২,৬৫,০৪০.৯৬ টকা
১৯৯৪-৯৫	২৩,৬৫,৬৭,৮১৪.৩৪ টকা
	(ফেব্রুৱাৰীলৈকে ১৯৯৫)

বিষয় ঃ- গড়কাপ্তানী ৰাস্তা ।

শ্রীপানী ৰাম ৰাভাই সুধিছে ঃ

৬৫৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ-

(ক) নমাটি, মছলপুৰ, নিকাচি পি, ডব্লিউ, ডি পথ টো যাতায়তৰ অনুপযোগী বুলি মন্ত্রী মহোদয়ে অৱগতনে ? যদি অৱগত, কি ব্যৱস্থা লৈছে জনাবনে ?

(খ) টিহু-আখৰা পি, ডব্লিড, ডি পথটো মেৰামতিৰ প্রয়োজন আছে নেকি ?

যদি আছে, বাৰিষাৰ আগতে মেৰামতি কৰিব নে ?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত, অনুপযোগী হোৱা নাই । বাছ, মটৰ আদি নিয়মিতভাৱে চলি আছে । কাঠৰ দলং বোৰৰ মেৰামতিৰ কাম হাতত লোৱা হৈছে । শিলগুটি যোগান ধৰাৰ ব্যৱস্থা হৈছে ।

(খ) প্রয়োজন আছে । মেৰামতিৰ কাম ইতিমধ্যে লোৱা হৈছে । বাৰিষাৰ আগতে মেৰামতিৰ কাম শেষ হ'ব ।

Discussion During Zero Hour.

Mr. Speaker : I have received as many as 9 O-Hour notices in the name of following hon'ble Members :

1. Shri Gohin Chandra Das
2. Shri Prafulla Kumar Mahanta
3. Shri Nizamuddin Khan
4. Shri Munin Mahanta
   Shri Alauddin Sarkar
5. Shri Mission Ranjan Das
6. Shri Hitendra Nath Goswami

Shri Badri Narayan Singh

7. Shri Nagen Sarma

8. Dr Zoii Nath Sarmah

9. Dr. Zoii Nath Sarmah

As per Rules, I have selected only 3 Zero Hour notices for raising before the House today :

I now, call upon the Hon. Member, Shri Gohin Chandra Das.

* শ্রীগহীন চন্দ্র দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই শূণ্যকাল সময়ত *আজিৰ অসম* বাতৰি কাকতত ২৯ মার্চৰ দিনা প্রকাশিত বাতৰিটো মাননীয় খাদ্য আৰু যোগান মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো । মাননীয় অধ্যক্ষ মহোদয়, যি সকল চেকাৰ আৰু খাদ্য ভৰাল ৰখীয়া কর্ম্মচাৰী আছে, তেওঁলোকে ২০-৩০ বছৰ ধৰি এই বিভাগতে চাকৰি কৰি আছে । তেওঁলোকক প্রতি ৫ বছৰৰ মূৰে মূৰে পদোন্নতি দিয়াৰ ব্যলস্থা আছে । কিন্তু এনেকুৱা এটা প্রশ্ন উঠিছে যে ১৯৮৫ চলৰ পৰা সেৱা বিধিত অর্ন্তভূক্ত নোহোৱাৰ কাৰণে এইবিলাকৰ পৰা বঞ্চিত হৈ আছে । সদৌ অসম যোগান বিভাগৰ কর্মচাৰী সন্থাই যোগান মন্ত্রীৰ লগত এই বিষয়ে আলোচনা বিবেচনাও কৰিছে । কিন্তু কর্মচাৰী সকল এই ক্ষেত্রত একো ফলৱতী হব পৰা নাই । শেষত কথাটো এৰাই চলিছে যেন লাগিছে । পে কমিশ্যনকো এই বিষয়ে জনোৱা হৈছে । নিত্য প্রয়োজনীয় এই বিভাগটোত কেইটামান পদ খালি হৈ আছে । মই আগতেও এই বিষয়ে প্রশ্ন কৰিছিলো । ২৩ খন জিলাত জিলা পর্যায়ত এজনকৈ ডি ডি এচ থাকিব লাগে আৰু মহকুমা পর্য্যায়ত এচিচটেন্ট ডাইৰেক্টৰ থাকিব লাগে । কিন্তু দেখা গল এই বিভাগটোত আজি বহুত দিনৰ পৰা পদ বিলাক খালি হৈ আছে । এই কাৰণে মাননীয় মন্ত্রী মহোদয়ক জনাওঁ যে চেংচন পোষ্ট আছে ৪ টা । তাৰে খালি আছে ২ টা । ডিপুটি ডাইৰেক্টৰ পোষ্ট আছে ১৮ টা তাৰে ৪ টা দিছে আৰু খালি আছে ৪ টা । এচিচটেন্ট ডাইৰেক্টৰ পোষ্ট আছে ১৮ টা তাৰে খালি আছে ৩ টা । চুপাৰিনডেন্ট পদ আছে ৩৩ টা তাৰে ২৪ টাত দিছে আৰু খালি আছে ৯ টা । ইন্সপেক্টৰ পদ আছে ১৮১ টা তাত ১৭১ টা দিছে খালি আছে ১০ টা । চাব-ইন্সপেক্টৰ পদ আছে ২৪৯ টা, ২১৮ টা দিছে, খালি আছে ৩১ টা । এনেদৰে প্রতিখন জিলাতে যোগান বিভাগত পদ বহুত দিনৰ পৰাই খালি হৈ আছে ।

মাননীয় অধ্যক্ষ ঃ এইবিলাক কথা এতিয়া ইয়াত কিয় ওলিয়াইছে ?

* শ্রীগহীন দন্দ্র দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, য'ত কেৰাচিন তেলৰ কথা আছে, ২ টকীয়া

* Speech not corrected

চাউলৰ কথা আছে, বিভাগবিলাকত মূৰ্ববৰী বিষয়া নাথাকিলে কামবিলাক কেনেকৈ হব ? মাননীয় সদস্য সকলে মিটিং পাতি প্ৰস্তাৱ আগবঢ়াইছে । জিলা উপায়ুক্ত বা মহকুমাধিপতিক সেই বিভাগবিলাকৰ কামবিলাক চাবলৈ দিয়া হয় । মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে চেবাৰ আৰু ভৰাল ৰক্ষক সকলক প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। পে কমিশ্যনত অৰ্ন্তভূক্ত কৰিব বুলি মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল সেইটো ফলৱতী হব লাগে। ১-২-৯৫ তাৰিখে হাইকোৰ্টত এই বিষয়টোৰ বিষয়ে লোৱা হৈছে । গতিকে মই মন্ত্ৰী মহোদয়ৰ উত্তৰলৈ বাট চাই এইখিনিকে কৈ ইমানতে সামৰণি মাৰিলো। ধন্যবাদ।

ডাঃ অৰ্দ্ধেন্দু দে (যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানিত সদস্য গহীন দাস ডাঙৰীয়াই শূন্য কালত *আজিৰ অসম* কাকতৰ ২৯ মার্চ তাৰিখে প্ৰকাশ পোৱা " খাদ্য আৰু অসামৰিক যোগান বিভাগত-পদোন্নতিৰ পৰা বঞ্চিত কৰাৰ অভিযোগ " শীৰ্ষক বাতৰিটোৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষিত হৈছে। মাননীয় সদস্য গৰাকীযে স্থাপন কৰা বিষয়টো ওপৰত মই জনাব বিচাৰিছো ..... Food and Civil Supplies Department (the then Supply Deptt.) of the Government of Assam was responsible for direct procurement of rice prior to 1970. Store Keepers and Checkers were engaged in the procurement work. But after abolition of the procurement scheme, although those personnel became surplus, the Deptt. had to retain them in service since they had already rendered 5 or more years of services in this Deptt. and on humenatarian consideration they were not retrenched from services. In due course Govt. in the Food and Civil Supplies Department confirmed the services of these employees in their posts, with a decision to abolish the posts of Store keepers/Checkers after their retirement from the posts in question. These employees have almost completed 20-25 years of continuous sevices. The total strength of such employees are as follows :-

(a)	Total number Checkers	-	330 Nos.
	Matriculate	-	45 "
	Non-Matric	-	285 "
(b)	Total number of Store Keepers	-	8 nos.
	Matriculate	-	4 "
	Non-Matric	-	4 "

After abolition of the procurement work, the qualified Checkers (Matriculate among them) have been entrusted with the ministerial work and the services of the other employees have been utilised in different Gr. IV work as per their qualification/ability etc.

The All Assam Food and Civil Supplies Employees Association submitted a representation dtd. 25-2-93 to the Hon'ble Chief Minister, Assam praying for their encadrement in the Grade III service as well as to make provision for their promotion to the post of Sub-Inspector, Food & Civil Supplies. A discussion was held on 3/9/93 in my chamber in this regard with the representatives of the All Assam Food and Civil Supplies Association and it was decided that those who are Matriculate and non-matric will be sorted out seperately and their demands for appointment as Grade III employees, depending on their eligibility will be considered. Accordingly, it was decided to take up the matter with the Pay Commission, which has since been done and the decision of the Pay Commission will be considered in course of time by the Government.

In this context, it is pointed out that the Service Rule of All Assam Food and Civil Supplies Employees "Association", 1970 as well as the amendment rules 1989 do not provide any scope for consideration of promotion of the qualified Store Keeper to the post of Sub-Inspector, Food & Civil Supplies Department.

The fact that there was no scope for promotion in these 2 categories of posts was known well to the incumbents before they took up the job. The very fact that Govt.has been retaining this surplus staff even after abolition of the procurement programme for which they were initially engaged, indicates utmost consideration shown by the Government.

* শ্রীগহীন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী ডাঙৰীয়াই কৈছে যে এই পোষ্ট খিনি ১৯৭০ চনৰ যোগান সেৱা বিধি আইনৰ মতে এবোলিচ কৰা হৈছে কিন্তু এই যি সকল

৪র্থ শ্রেণীৰ চাকৰিয়াল আছে তেওঁলোকে ২০/২৫ বছৰ চাকৰি কৰি যথেষ্ট অভিজ্ঞতা অৰ্জন কৰিছে আৰু তেখেত সকলৰ বহুতে ইতিমধ্যে চাকৰিৰ পৰা অৱসৰ লবলগীয়া হৈছে, ফলত তেওঁলোকে পিচলৈ যিখিনি সুবিধা পাব লাগে তাৰ পৰাও বঞ্চিত হব। গতিকে দীৰ্ঘকাল চাকৰি কৰি অভিজ্ঞতাপুষ্ট এই সকল চাকৰিয়ালক অন্তত তৃতীয় শ্রেণীলৈ উন্নীত কৰাৰ ব্যৱস্থা কৰিবনে বা তেওঁলোকক প্রমোশ্যন দিবনে? গতিকে আইন শিথিল কৰি হলেও এই চাকৰিয়াল সকলৰ দাবী পূৰণ কৰাৰ কাৰণে ব্যৱস্থা কৰিব নে?

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (যোগান মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কত তেখেত সকলৰ লগত আলোচনা হৈছিল আৰু তাৰ পাচত আমাৰ পৰা অনুমোদন হৈ ফাইনেন্স ডিপার্টমেন্টলৈ পঠোৱা হৈছে, তেওঁলোকক প্রমোশ্যন দিবৰ কাৰণে ফাইনেন্স ডিপার্টমেন্টক জনোৱা হৈছে কিন্তু বিত্ত বিভাগে পে-কমিশ্যনলৈ পঠাব লাগিব বুলি কৈছে। গতিকে আমাৰ ফালৰ পৰা যি খিনি কৰিব লাগে সেইখিনি আমি কৰিছো।

* শ্রীগহীন দাস ঃ অধ্যক্ষ মহোদয়, প্রমোশ্যন বিত্ত বিভাগে দিব নালাগে, যিহেতু আপোনালোকৰ বিভাগৰ চাকৰিয়াল তেওঁলোকক আপোনালোকেহে প্রমোশ্যন দিব লাগিব। গতিকে বিত্ত বিভাগৰ ওপৰত নির্ভৰ কৰি থাকিলে কি কাম হব। গতিকে মন্ত্রী মহোদয়ৰ পৰা স্পষ্টভাৱে জানিব বিচাৰিছো, তেখেতে এই সম্পৰ্কত নিজৰ ফালৰ পৰা বিহিত ব্যৱস্থা লবনে ?

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (যোগান মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, ফাইনেন্স ডিপার্টমেন্টলৈ যাবই লাগিব।

Mr. Speaker : Now I call upon the Hon'ble member Shri Mission Ranjan Das to raise his Zero hour motion.

* শ্রীমিশ্যন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, *আজিৰ অসম* ৪-৪-৯৫ ইং তাৰিখৰ 'পক্ষী নিধন' কার্য্য অব্যাহত থকাত পৰিবেশ বিনষ্টৰ আশংকা "শীৰ্ষক বাতৰিৰ প্রতি বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰি কেইটামান কথা সদনত দাঙি ধৰিব বিচাৰিছো। বাতৰিটোত উল্লেখ কৰা মতে-শিৱসাগৰ জিলাৰ পানী" দিহিং অঞ্চলটো আর্দ্রভূমি বুলি খ্যাত। শৰৎ কাল আৰম্ভ হোৱাৰ লগে লগে এই অঞ্চললৈ জাক পাতি উৰি আহে নানান ধৰণৰ হাজাৰ হাজাৰ পৰি ভ্রমী চৰাইৰ জাক। এই অঞ্চলটোৰ বিস্তৃত বনাঞ্চলৰ লগতে সিচৰিত হৈ আছে অসংখ্য সৰু-বৰ খাল, বিল, নৈ, জান,জুৰি। মানুহৰ নিষ্ঠুৰ পৰশত আগৰ বাঘ - হাতী ওলোৱা বনাঞ্চল এতিয়া চৰণীয় পথাৰত পৰিণত হ'ল। মৎস্য জীৱি সকলে নৈ বিল জান জুৰিৰ মাছ নিঃশেষ কৰি দিলে। ফলস্বৰূপে কেইটামান বছৰৰ আগৰে পৰা ইয়ালৈ অহা পৰিভ্রমী চৰাইৰ সংখ্যা একেবাৰে কমি আহিল। খাদ্যৰ অভাৱৰ উপৰিও

* Speech not corrected

মানুহে বিভিন্ন উপায়েৰে ইয়াত চৰিবলৈ অহা দুষ্প্রাপ্য দেওহাহ শৰালি আজান আদি চৰাই বধ কৰিবলৈ ললে। প্রাকৃতিক পৰিবেশৰ ৰক্ষনাবেক্ষণৰ ব্যৱস্থা নথকাৰ কাৰণেই এই আর্দ্রভূমি ক্রমান্বয়ে বিলপ্তিৰ পথলৈ গতি কৰাৰ আংশকাই দেখা দিছে। এই বিষয়ত স্থানীয় সচেতন ৰাইজে বহু দিনৰে পৰাই উদ্বেগ প্রকাশ কৰি আহিছে। ৭০ দশকৰ পৰাই পানী দিহিং অঞ্চল সংৰক্ষিত বনাঞ্চলৰূপে ঘোষণা কৰি পক্ষী অভয়াৰণ্য ৰূপে স্বীকৃতি দিলেও বিভাগীয় কর্ত্তৃপক্ষই ৰক্ষণা-বেক্ষণ দিয়াৰ ক্ষেত্রত কোনো ভূমিকা গ্রহন কৰা নাই। কেইজনমান বনৰক্ষীক দায়িত্ব অর্পণ কৰি এই সংৰক্ষিত বনাঞ্চল ৰক্ষা কৰা ভবাটো প্রহসনহে মাথোন। ফলস্বৰূপে এইবোৰ চৰাই শীতকাল আৰম্ভ হোৱাৰ লগে লগে পানী দিহিং বনাঞ্চল তৃণভূমি সমূহ মাংসভোগী চিকাৰীৰ বন্দুক বাৰুদৰ ধোৱাই কলুষিত কৰি তোলা দেখা গ'ল। কেইজনমান স্থানীয় সচেতন যুবকে জনোৱা মতে, মাংসলোভী দুষ্কৃতিকাৰীয়ে এইবোৰ চৰাই চিকাৰৰ বাবে ব্যৱহাৰ কৰিছে। ফৰাদন নাম এবিধ বিষাক্ত ঔষধ বিস্তৃত এলেকাত ফৰাদন চতিয়াই দিয়াৰ ফলত পক্ষী মৃত্যু মুখত পৰাৰ উপৰিও এই তৃণভূমিত চৰি ফুৰা মহ ছাগলী আদিকো মৃত্যুত পতিত হৈছে। ফলস্বৰূপে গোপালন আৰু মহপালন কৰি জীৱন নির্বাহ কৰা এই অঞ্চলৰ কেইবাশ পৰিয়াল অতি বেয়াকৈ ক্ষতিগ্রস্ত হৈছে। গতিকে আজি এই যি দুষ্প্রাপ্য চৰাই বিলাক বাহিৰৰ পৰা আহি অসমৰ বিভিন্ন বনাঞ্চলত হাজাৰ হাজাৰ আহিছে কিন্তু সেই চৰাইবিলাক নিধন কৰাৰ ফলত এই চৰাইবিলাকৰ প্রজাতি নিশেষঃ কৰি পেলোৱাৰ উপক্রম হৈছে। কৰিমগঞ্জত শনবিল, বাতাবিল আৰু আনাইৰ হাওৰাৰ ইত্যাদি বিল বিলাকতো বাহিৰৰ পৰা চৰাই-চিৰিকতি ভূমিবলৈ আহে কিন্তু এনে ধৰণৰ কিছুমান দুষ্কৃতিকাৰীৰ উপদ্রবত এই বিলাক বিল-খাল নৈ নদী ইত্যাদি বিনষ্ট হোৱাৰ উপক্রম হৈছে। গতিকে এই উপদ্রব সময়োচিত ব্যৱস্থা লবলৈ সচেতন মহলে চৰকাৰৰ ওপৰত দাবী জনাইছে। গতিকে মন্ত্রী মহোদয়ক এই বিষয়টোৰ প্রতি বিশেষ গুৰুত্ব দিব বুলি দৃষ্টি আকর্ষণ কৰিলো।

এই বিলাক ধ্বংস কার্য্য চলি থকা ফলত আমাৰ যিবিলাক বিল আছে সেইবিলাকত পক্ষী বিলাক নিধন হৈছে। এই বিলাক চাবৰ কাৰণে বাহিৰৰ পৰা যথেষ্ট মানুহ আহে। কিন্তু আজি সেইবিলাক বিলুপ্ত হৈ যাব ধৰিছে। সেই বিল বিলাকলৈ যিবিলাক প্রজাতি চৰাই আহে সেইবিলাকৰ যাতে বিলুপ্তি নহয় তাৰ বাবে আমাৰ বিভাগৰ পৰা ব্যৱস্থা লব লাগে। নহলে দুষ্কৃতি কাৰী সকলে ধ্বংস কৰি শেষ কৰিব। গতিকে মই মন্ত্রী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো যে এই পক্ষী নিধন কার্য্যটো যাতে অনতি পলমে বন্ধ হয়, তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কিবা ব্যৱস্থা লোৱা হব নে? যদি লোৱা হয়, কি ব্যৱস্থা লোৱা হব?

Shri Haren Bhumij : (Minister, Enviroment) Replied :

Mr. Speaker, Sir, our attention has been drawn to the news item published in 'AZIR ASOM' dtd. 4.4.95 under the Caption' Pakshi Nidhan Karya abyahata thakat Paribesh Binostar Ashonkha'.

Speaker, Sir, as it involves other departments also, I will take necessary action in consultation with other concerned Departments.

Mr. Speaker : Now, I call upon the Hon'ble Members-Shri Munin Mahanta and Hon'ble Members-Shri Alauddin Sarkar to raise the 'Zero Hour Motion'.

* শ্রীমুনিন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি শূণ্যকালৰ সময় চোৱাত ৪/৪/৯৫ তাৰিখে আজিৰ অসম বাতৰি কাকতত প্রকাশিত " মানাহত ধ্বংস কার্য্য অব্যাহত, চৰকাৰ নিষ্ক্রিয়" বাতৰি সন্দর্ভত বন মন্ত্রী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো। মই বেছি কথা নকও মাত্র কেইটামান পইন্ট দাঙি ধৰিম। মানহ ৰাষ্ট্রীয় উদ্যানত এতিয়াও দুস্কৃতিকাৰীয়ে নির্বিবাদে গছ কটা আৰু আপুৰুগীয় বন্য প্রাণী বধ কৰা কার্য্য চলাই আছে। কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ পাচতে মানাহ ৰাষ্ট্রীয় উদ্যানত গড়ৰ সংখ্যা ১৯৮৮ চনলৈ দ্রুত গতিত বৃদ্ধি পাইছিল। আৰু তেতিয়া মানাহত গড়ৰৰ সংখ্যা শতাধিক হৈছিল। ভূটানৰ পাহাৰীয়া এলেকাত বর্ত্তী থকা ২/৪ টা গড় নামনিৰ ফালে নামি অহাৰ লগে লগে দুর্বৃত্তৰ হাতত নিধন হৈ আছে। বাহবাৰী ৰেঞ্জ অফিচৰ নাতি দূৰৰ কুৰী বিলত নতুনকৈ নমা দুটা বিভিন্ন বয়সৰ পোৱালীৰ লগত এজনি মাইকী গড় বিভাগীয় পহৰাদাৰীৰ নজৰত পৰে। পিচে যোৱা ১৯ মার্চ তাৰিখে মাইকী গড় জনী গুলীয়াই বধ কৰি তাইৰ খর্গটোৰ লগতে বিভিন্ন অঙ্গপ্রতঙ্গ কাটি দিয়াৰ পাচত পহৰাদাৰীয়ে কুৰি বিলত উদ্ধাৰ কৰে। তাৰ এসপ্তাহ পূর্বে ১৩ মার্চত ৰৌ-চিংলাত এটা দতাল বধ কৰি তাৰ দাঁত দুটা দুষ্কৃতিকাৰীয়ে কাটি নিয়াৰ পাচতে হাতীটো পহৰাদাৰীয়ে দেখিবলৈ পায়। খয়ৰ গছ একমাত্র মানাহৰ সম্পদ। অলপতে পানবাৰী এলেকাৰ পৰা ৰঙিয়া ৰেল ষ্টেচনৰ পিনে ৰেলৰ ডবাত বুকিংৰ উদ্দেশ্যে চোৰাং ভাৱে নিয়া অৱস্থাত এক ট্রাক খয়ৰ পুলিচে উদ্ধাৰ কৰা ঘটনাই মানাহৰ গছ গছনি উৎখাত কৰা কার্য্য অব্যাহত থকাৰ স্পষ্ট ইঙ্গিত দিয়ে। অধ্যক্ষ মহোদয়, গোটেই ৰাজ্য খনতে বনজ সম্পদ অতি আপুৰুগীয়া। কিন্তু আজি বন্যপ্রাণীকে আদি কৰি বনজ সম্পদ বিলাকো ধ্বংস কৰিছে। এইটো অকল মানাহতে নহয় গোটেই অসম ৰাজ্যতে চলি আছে। নগাঁও জিলাৰ লাওখোৱা অভয়াৰণ্যত ইতিমধ্যে সকলো বিলাক ধ্বংস কৰা হৈছে। মৰিগাওঁ জিলাৰ পবিতৰা অভয়া অৰণ্যত ধ্বংসৰ পৰিবেশ সৃষ্টি হৈছে। এই সকলো বিলাক কথা

* Speech not corrected

কেন্দ্রীয় বন্য মন্ত্রী কমল নাথৰ ওচৰতো উত্থাপন কৰা হৈছে। তেখেতে দিল্লীৰ পৰা এগৰাকী বন্য প্ৰাণী বিশেষক সৰজমিন কৰিবলৈ পঠোৱা কথা আছে। কিন্তু নিৰাপত্তা নোপোৱাৰ কাৰণে পঠোৱা নাই। অসমত বনজ সম্পদ আৰু বন্য প্ৰাণীৰ যি ধ্বংসৰ অভিযান চলিছে সেইটো ৰোধ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে মন্ত্রী মহোদয়ে জনাব লাগে।

* শ্রীচামছুল হুদা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য মহন্ত ডাঙৰীয়াই মানাহত ধ্বংসকার্য্য অব্যাহত, চৰকাৰ নিষ্ক্রিয়' এই বাতৰিৰ ওপৰত যি কেইটা পইন্ট উত্থাপন কৰিছে আৰু স্পষ্টিকৰণ বিছাৰিছে মই এই স্পষ্টিকৰণ সদনত দাখিল কৰিম। সবিশেষ জানিবৰ কাৰণে মই বিভাগ বিলাকলৈ লিখিছো আৰু ৰিপোৰ্ট সোনকালে দাখিল কৰিম।

* ডঃ জয়নাথ শর্মা ঃ অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য কৰেন্দ্র বসুমতাৰীক কোনোৰাই প্রাণ নাশৰ ভাবুকি দিছে। তেখেতে দিচপুৰ থানাত এনট্রি দিছে আৰু আপোনাক আৰু মুখ্য মন্ত্রীক জনাইছে। এই বিষয়টোৰ ওপৰত কি ব্যৱস্থা লৈছে সদনক জনালে ভাল হয়।

মাননীয় অধ্যক্ষ ঃ মই ব্যৱস্থা লৈছো।

Report of the Business Advisory Committee.

Under Rule 230 of the Rules and Procedures and conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 4.4.95 in my office Chamber to consider fixation of time for discussion on the Censure Motion moved in the House on 4.2.95.

The Committee, after a thread-bare discussion and taking into considerstion the non-availability of sufficient time during the remaining days of the Session, decided that 10th April,1995 which was ear-marked for transaction of Private Members' Business would now be treated as Government Business day.

The House would take up the discussion on the Censure Motion after the Zero Hour. There would be no Call Attention Matter under Rule 54 and matter under Rule 301. In order to make more time available for discussion on the Censure Motion by the Hon'ble Members from both sides, the Committee decided to sit in the

afternoon of 10th April;95 from 4 P.M. to 6 P.M. by which time discussion on the Censure Motion as well as the reply of the concerned Ministers against whom Censure Motion was moved, would be completed.

I hope, this has the approval of the House.

Call Attention Notice.

Now, item No. 3-Hon'ble Member, Shri Munin Mahanta.

* শ্রীমুনিন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাবলী ৫৪ নং নিয়মৰ অধীনত ১৯৯৫ চনৰ ৮ মাৰ্চ তাৰিখৰ *দৈনিক অসম*' কাকতত প্ৰকাশিত "কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ব্ৰহ্মপুত্ৰ খহনীয়া পূৰ্ণ গতিত" শীষক বাতৰিটোৰ প্ৰতি বন্যপ্ৰাণী বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিলো।

* শ্রীচামছুল হুদা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মোৰ এই কথাখিনি অলপ দীঘলীয়া হব অধ্যক্ষ মহোদয়, অনুমতি দিলে মই পঢ়ি দিব বিচাৰিছো।

(১) ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰে অৱস্থিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনৰ পূৰ্বভাগত বিশেষকে অগাৰাতলিৰ মকলং, ধানবাৰী আৰু পশ্চিম ভাগত ডিফলুমুখ এলেকাত ব্ৰহ্মপুত্ৰ নদীয়ে খহাই নিয়াতো সত্য। সেইদৰে কাজিৰঙাৰ আনুমানিক ৮.০ বঃ কিঃ মিঃ এলাকা এতিয়ালৈকে খহনীয়াৰ কৱলত পৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধ কৰাৰ কাৰণে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ অনুসন্ধান (Investigation) বিভাগে জৰীপ কৰা আৰু আৱশ্যকীয় ব্যৱস্থা হাতত লোৱাৰ কথা চলি আছে। এই মৰ্মে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ নগাওঁ জিলাত অৱস্থিত কাৰ্য্যবাহী অভিযন্তাক (Investigation) এনে তদন্তৰ (Investigation) কামৰ ক্ষেত্ৰত বিভাগৰ ফালৰ পৰা কোনো আপত্তি নাই বুলি লিখিত ভাৱে জনোৱা হৈছে। (প্ৰতিলিপি সন্নিবিষ্ট কৰা হ'ল)

(২) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত থকা বনকৰ্মী সকলক পুঁজিৰ অনুপাতে সাজ পোছাক আদিৰ যোগান ধৰা হয়। কিন্তুযোৱা কেইবছৰ মানত নিয়মিত ভাৱে যোগান ধৰাত ব্যাঘাত জন্মিছে। আগলৈ নিয়মিত ভাৱে দিয়াৰ ব্যৱস্থা হাতত লোৱা হব। বনকৰ্মীৰ শিবিৰবোৰৰ মেৰামতিৰ কামো পুঁজিৰ অনুপাতে কৰি থকা হৈছে। আৰু কেৰাচিন, টৰ্চ বেতাৰী আদিৰ যোগানো সেইদৰে দি থকা হৈছে।

শিবিৰৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে মেৰামতি, কেৰাচিন আদিৰ যোগান

* Speech not corrected

ধৰা কামৰ কাৰণে যথেষ্ট পৰিমাণৰ পুঁজিৰ আৱশ্যক হৈ পৰিছে। উল্লেখযোগ্য যে কাজিৰঙা আৰু অসমৰ অন্যান্য অভয়াৰণ্য সমূহৰ গড় সংৰক্ষণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা Rhino Conservation ৰ যোগেদি এশ শতাংশ (100%) অনুদান পোৱা হৈছিল। এই আঁচনিৰ জৰিয়তে বহু কেইজন কৰ্মচাৰীৰ দৰমহা আৰু গঁড় সংৰক্ষণৰ বিভিন্ন উন্নয়নমূলক কাম হাতত লোৱা হৈছিল। কিন্তু ১৯৯২-৯৩ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে এই আঁচনিখন ৰাজ্য চৰকাৰলৈ হস্তান্তৰ কৰিছে। তাৰ ফলত ৰাজ্য চৰকাৰৰ বাজেটত গধুৰ বোজা আহি পৰিছে।

(৩) ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ পৰা নাওঁৰে আহি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত মাজে মাজে চোৰাং চিকাৰীয়ে গঁড় নিধন কৰাটো সত্য। এই ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ নদীত নাঁৱৰে পহৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ ফ্লোটিং ৰেঞ্জ (Floating range) এটা স্থাপন কৰিবৰ কাৰণেও বিবেচনা কৰি থকা হৈছে। ইয়াতে উল্লেখ কৰিব পাৰি যে আইনসন্মত ভাৱে ব্ৰহ্মপুত্ৰ নদী আৰু চৰ অঞ্চলবোৰ কাজিৰঙাৰ লগত সংযোজন হলে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া হব।

(৪) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগত সংযোজন কৰাৰ কাৰণে ছয়টা সংযোজন প্ৰস্তাৱ পৰ্যায়ক্ৰমে চলি আছে। এই এলাকাসমূহ তলত দেখুৱা হ'ল।

(১) প্ৰথম সংযোজন- (1st addition)বুঢ়া পাহাৰ অঞ্চল।
মুঠ মাটি কালি প্ৰায় ৪৩.৭৯ বঃ কিঃ মিঃ

(২) দ্বিতীয় সংযোজন- (2nd addition) -শিলডুবি অঞ্চল।
মুঠ কালি প্ৰায় ৬.৪৭ বঃ কিঃ মিঃ

(৩) তৃতীয় সংযোজন- (3rd addition) -পানবাৰী অঞ্চল।
মুঠ কালি প্ৰায় ০.৬৯ বঃ কিঃ মিঃ

(৪) চতুৰ্থ সংযোজন- (4th addition) -কাঞ্চন জুৰি অঞ্চল।
মুঠ কালি প্ৰায় ০.৮৯ বঃ কিঃ মিঃ

(৫) পঞ্চম সংযোজন- (5th addition) -হালধীবাৰী অঞ্চল।
মুঠ কালি ১.১৫ বঃ কিঃ মিঃ

(৬) ষষ্ঠ সংযোজন- (6th addition) -ব্ৰহ্মপুত্ৰ নদী আৰু চৰ অঞ্চল।
মুঠ কালি প্ৰায় ৪০৯.৫০ বঃ কিঃ মিঃ।

কার্বিআংলং জিলাৰ প্ৰায় ৩৩ বঃ কিঃ মিঃ এলেকা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ

লগত সংযোজন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছিল। সেই মৰ্মে সেই অঞ্চলৰ বাসিন্দা সকলৰ ক্ষতিপূৰণৰ কাৰণে মুঠ ৪,৭১,০০০ টকা জিলা পৰিষদক দিয়া হৈছিল। কিন্তু জিলা পৰিষদে সেইখিনি টকা ঘুৰাই দিবলৈ সিদ্ধান্ত লৈছে। বাকী ছয়টা সংযোজনৰ প্ৰস্তাৱৰ কাম বিভিন্ন পৰ্য্যায়ত চলি আছে।

(৫) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্য্যটকৰ সংখ্যা ক্ৰমে বাঢ়ি আহিছে। পৰ্য্যটক সকল ৰাষ্ট্ৰীয় উদ্যানক ভিতৰলৈ যাওঁতে নিৰাপত্তাৰ কাৰণে একোজনকৈ বন কৰ্মী লগত পঠিওৱা হয়। এই ক্ষেত্ৰত পৰ্য্যটন বিভাগৰ কোনো সম্বন্ধ নাই। সেয়েহে ইয়াৰ কাৰণে পৰ্য্যটন বিভাগৰ পৰা কোনো বিষয়াৰ প্ৰয়োজন নাই।

এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে গঁড় সংৰক্ষণৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা সত্বেও কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গঁড়ৰ সংখ্যা বৃদ্ধি হোৱাত সফলতা লাভ কৰা হৈছে। পিয়ল অনুসৰি যোৱা বিভিন্ন বছৰত গঁড়ৰ সংখ্যা তলত দেখুওৱা ধৰণে পোৱা গৈছে।

১৯৬৬ চনত — ৩৬৬ টা
১৯৭২ " — ৬৫৮ "
১৯৭৮ " — ৯৩৯ "
১৯৮৪ " — ১০৮০ "
১৯৯৩ " — ১১৬৪ "

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অকল খহনীয়াই নহয় বুঢ়াপাহাৰ অঞ্চলত মাটিও বেদখল হৈছে। আৰু তাতে আশ্ৰয় লৈ চোৰাং চিকাৰী বিলাকে গড়কে আদি কৰি মূল্যবান বন্যজন্তু বধ কৰিছে। চৰকাৰে ইয়াৰ কিবা ব্যৱস্থা কৰিব নে?

* শ্ৰীচামছুল হুদা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মহন্ত ডাঙৰীয়াৰ উত্তৰত মই কব খোজো যে এই ক্ষেত্ৰত মই নিজে গৈ কেইবাৰো চাই আহিছো আৰু প্ৰতিৰোধৰ বাবে ব্যৱস্থা লৈছো আৰু পৰ্য্যায়ক্ৰমে কাম চলি আছে। যাতে কোনেও ট্ৰেচপাচ কৰি আশ্ৰয় লব নোৱাৰে তাৰ ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীআব্দুল জেলিল ৰাগিৰি ঃ অধ্যক্ষ মহোদয়, অসমলৈ অন্যান্য ৰাজ্যৰ পৰা বা অন্যান্য দেশৰ পৰা অনুপ্ৰবেশকাৰী অহাতো ৰোধ কৰাৰ বাবে কাটাতাৰ দিয়াৰ ব্যৱস্থা কৰিছে। গতিকে এইদৰে আমাৰ বিভিন্ন অভয়া অৰণ্যবিলাকত বন্যজন্তু ওলাই আহিব নোৱাৰা বাবে আৰু চোৰাং চিকাৰী সোমাব নোৱাৰা কাৰণে কাটাতাৰ দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰিব নে?

* Speech not corrected

* শ্রীহিতেন্দ্রনাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যই এনিমেল চাফাৰীৰ কথা কৈছে। কিন্তু কথা হৈছে আজি বন বিভাগৰ বিষয়া সকলে যিবিলাক ষ্টেটিস্ক দিছে সেই বিলাকত আপুনি সন্তুষ্ট হৈছে নে?

* শ্রীচামছুল হুদা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, বন্যপ্রানীৰ সংৰক্ষণ কৰাতো পৃথিৱীৰ ভিতৰতে ব্যপক ডাঙৰ কথা। ভাৰতবর্ষত এই বিষয়ে আচঁনি লোৱা হৈছে আৰু অসমতো যাতে বন্যপ্রানী সংৰক্ষণ কৰিব পাৰি তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। কেন্দ্রীয় চৰকাৰেও এই সম্পর্কত ডাব্লিউ, আই আই ডেৰাডুনত আলোচনা কৰিছিল।

* শ্রীআব্দুল জেলিল ৰাগিৰি ঃ অধ্যক্ষ মহোদয়, গড়, বাঘ আদি জীৱজন্তু বিলাকে বনৰ পৰা ওলাই আহি মানুহ মাৰিছে হত্যা কৰিছে। গতিকে ওলাই আহিবৰ নোৱাৰা বাবে কাটাতাৰ দিয়াৰ ব্যৱস্থা কৰিব নে? যাতে এই দুর্লভ বন্যপ্রানীৰ সুৰক্ষা হয়?

* শ্রীচামছুল হুদা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, কৰিব পৰা সকলো বিষয়ে কৰিব লাগে। এতিয়াও আমি কাটাতাৰৰ বিষয়ে চিন্তা কৰা নাই। মাননীয় সদস্য গৰাকীৰ পৰামর্শটো আলোচনা কৰি চাম।

Mr. Speaker : Now item No. 4. Hon'ble Member Shri Rameswar Dhanowar to soeak. Shri Rameswar Dhanowar is absent.

Now item No.5. There is a message from the Governor of Assam, Raj Bhawan, Guwahati, dated February 11, 1995.

Governors Message

RAJ BHAWAN
GUWAHATI
February 11,1995

"Under the provision of Article 207(3) of the Constitution of India, I, Shri Lok Nath Misra, Governor of Assam, recommend that The Assam Ministers', Ministers' of State and Deputy Ministers' Salaries and Allowances (Amendment) Bill, 1995 be taken into consideration by the Assam Legislative Assembly"

* Speech not corrected

Now, Hon'ble Minister, Law to move.

Shri Devananda Konwar, (Minister): Sir, I beg to move that

"The Assam Ministers', Ministers' of State and Deputy Ministers Salaries and Allowances (Amendment) Bill, 1995" be taken into Consideration.

Mr. Speaker : I now put the motion before the House.

The motion is that :-

The Assam Ministers', Ministers' of State and Deputy Ministers Salaries and Allowances (Amendment) Bill, 1995 be taken into Consideration.

Those who are in favour, say, "Ayes"

Those who are against, say "Noes".

Ayes have it, Ayes have it, Ayes have it, the Motion is passed.

* শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রীয়ে মাজতে এখন চার্কুলাৰ দিছিল যে কোনো মিটিঙত যি কোনো তিনিজন মন্ত্রীতকৈ বেছি উপস্থিত থাকিব নালাগে। এই ক্ষেত্রত মই কব খোজো যে আমাৰ মাননীয় মন্ত্রী সকলেও এই কথাটো চাব লাগে য'ত ৰাজ্যিক মন্ত্রী থাকে তালৈ কেবিনেট জন নগলেও হয়, বা কেবিলেটজন থাকিলে ৰাজ্যিক জন সেই মিটিঙলৈ নগলেও হয়। আনহাতে কোনো এটা বিভাগৰ লগত জড়িত নোহোৱা মন্ত্রী যাব নালাগে, বিভাগীয় মন্ত্রী যাব লাগে। আমি দেখিবলৈ পাইছো যে কোনো এখন মিটিঙত যদি মুখ্যমন্ত্রী উপস্থিত থাকে he should be entitled to that amount also. তাত বহুত মন্ত্রী গোট খায়। এই কথাখিনি অলপ চাব লাগে। ইয়াৰ কাৰণে ৰাজ্যৰ ৰাজহৰ বহুত টকা অপব্যয় হয়। এই শিতানত যিবোৰ টকা আগতে দিয়া হৈছে অপব্যৱহাৰ হৈছে বুলি প্রায়েই শুনা যায়। সেয়ে মই মন্ত্রী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো যে এই টকা যাতে আগলৈ অপব্যৱহাৰ কৰা নহয়। অধ্যক্ষ মহোদয়, প্রত্যেকজন মন্ত্রীৰ নামত ৫০ হেজাৰ টকাকৈ নিজা পুঁজি (ডেচক্রিচনেৰী ফাণ্ড) টকা দিয়া হৈছে -- এই টকা কেবিনেট মন্ত্রীয়ে পায়। অতি ৰোগীয়া, বিকলাংগ, অতি দুখীয়া লোকক মাজে সময়ে কিছু টকা দি

* Speech not corrected

সহায় কৰাৰ কাৰণে। কিন্তু কালি গুৱাহাটীৰ পৰা প্ৰকাশিত দুখন বাতৰি কাকতত দেখিবলৈ পাইছো এই ৫০ হেজাৰকৈ টকা মন্ত্ৰী সকলে নিজা অঙহী-বঙহীৰ মাজত আবন্টন কৰিছে। এইটো বৰ দুৰ্ভাগ্যজনক কথা। ইয়াৰ স্পষ্টীকৰণো চৰকাৰে দিয়া নাই। সকলো মন্ত্ৰীয়ে নিশ্চয় এনে কাম কৰা নাই- কিন্তু ২-৪ জনে নিশ্চয় কৰিছে। চৰকাৰে মন্ত্ৰীসকলক দিয়া এই নিজা পুঁজিৰ টকা এনেকৈ খৰচ হোৱাটো বেয়া কথা। অধ্যক্ষ মহোদয়, এই খিনিতে মই আৰু এটা কব খোজো সেইটো হৈছে ৫০ হেজাৰকৈ টকা যেতিয়া কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী সকলক নিজা পুঁজিত খৰচ কৰিবলৈ দিছে - এই ক্ষেত্ৰত বিৰোধী দলৰ দলপতি জনক এই ৫০ হেজাৰ টকাৰ নিজা পুঁজি আবন্টন দিব লাগে কিয়নো এই দলপতিজনকো কেবিনেট পৰ্য্যায়ৰ পদ মৰ্য্যদা দিয়া হৈছে। তেখেতৰ ওচৰলৈকো সাহায্য বিচাৰি বহুত মানুহ আহে।

অধ্যক্ষ মহোদয়, আমাৰ ওচৰলৈকো বহুত মানুহ আহে - অতি দুখীয়া, ৰোগীয়া, বিকলাংগ, পঢ়াৰ খৰচ বিচাৰি ছাত্ৰ-ছাত্ৰী আদি -- কিন্তু আমাৰ হাতত চৰকাৰে একো ফাণ্ড দিয়া নাই এই লোক সকলক সহায় কৰাৰ কাৰণে। মই ভাবো, আমাৰ বিধায়ক সকলকো এনে এটা নিজা পুঁজিৰ টকা আবন্টন কৰিব লাগে। এই টকা আমাক দিব নেলাগে -- হয় বিত্ত বিভাগত ৰাখি থব নহয় জিলাৰ উপায়ুক্তৰ হাতত ৰাখি থব। আমি যাৰ নাম দিব লাগে বুলি উপায়ুক্ত বা বিত্ত বিভাগলৈ চুপাৰীশ কৰিম তেওঁকে বিভাগে এই টকা দিব লাগে। এই টকা ১ লাখ মানকৈ দিলে অতি ভাল হয়। আজি মুখ্যমন্ত্ৰীৰ ৰিলিফ ফাণ্ডৰ কাৰণে ইমান কেনচাৰ আৰু অন্যান্য ৰোগীয়ে আবেদন কৰে যে বিভাগে এক বা ডেৰ হেজাৰতকৈ বেছি সাহায্য দিব নোৱাৰে। আমাৰ হাতত এনে ফাণ্ড একোটা থাকিলে আমিও উপযুক্ত লোকক সহায় কৰিব পাৰিম। মুখ্যমন্ত্ৰীৰ তালৈ ইমান আবেদন আহে যে সকলোকে তেখেতে সন্তুষ্ট কৰিব নোৱাৰে। গতিকে এনে এটা পুঁজি বিধায়ক সকলৰ বাবেও কৰিলে ভাল হয়। সংশোধনীৰ ওপৰত এই খিনিকৈ কৈ মই মোৰ বক্তব্য সামৰিণ মাৰিলো।

* শ্ৰীযতীন মালি ঃ অধ্যক্ষ মহোদয়, বিধায়ক সকলৰ বাবে নিজা পুঁজিৰ ব্যৱস্থা কৰিলে ভাল হয়।

* শ্ৰীদোৱানন্দ কোঁৱৰ, (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই আলোচনা কালত যি কেইটা কথা উল্লেখ কৰিছে তাৰ উত্তৰো তেখেতে নিজেই দিছে। মাইলেজ বৃদ্ধি কৰাৰ বিষয়টোত তেখেতে আপত্তি কৰা নাই। এই বিলখন অনা হৈছে মাইলেজ বৃদ্ধি কৰাৰ কাৰণে, তেখেতে বিধিগত ভাবে ইয়াত কোনো আপত্তি কৰা নাই -- কেৱল পৰামৰ্শ দিছে যে টকাৰ সদ্ব্যৱহাৰ হব লাগে বুলি। মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত চাৰ্কুলাৰ দিছেই যে কোনো মিটিঙত তিনিজনতকৈ অধিক মন্ত্ৰী যাব নালাগে বুলি -- আৰু এই ক্ষেত্ৰত মৃতব্যয় অৱলম্বন কৰিব লাগে বুলি। বাজেটৰ শেষতো গেপ ফিলআপ কৰাৰ

* Speech not corrected

ক্ষেত্রত মৃতব্যয় অৱলম্বন কৰিব লাগে বুলি বিত্তমন্ত্রীয়ে উল্লেখ কৰিছে। শ্রীগোস্বামীয়ে যি কেইটা পৰামর্শ আগবঢ়াইছে সেই কেইটা আমাৰ ফালৰ।

Mr. Speaker : Now Item No. 5 (b). There is an amendment in clause 2 of the Bill in the name of Hon'ble Member, Shri Hitendra Nath Goswami, I now call upon Shri Hitendra Nath Goswami to move his amendment and to speak on it.

* Shri Hitendra Nath Goswami : Sir, I beg to move that the proposed amendment of section 2 of the Assam Ministers of State and Deputy Ministers' Salaries and allowances Act, 1958 sought to be amended by this bill shall be deleted and original section of the principal Act shall be retained. কিন্তু যিটো অবজেক্ট আৰু ষ্টেটমেণ্ট দিছে তাৰ ওপৰত এমেন্দমেণ্ট অনাৰ কোনো যুক্তি নাই। আমাৰ মন্ত্রী সকলৰ, ডেপুটি মন্ত্রী সকলৰ, অধ্যক্ষ আৰু উপাধ্যক্ষ গাড়ীৰ মাইলেজৰ কথাটো ইনক্রিজ কৰিব বিচাৰিছে। এইটো ১৯৯২ চনৰ পৰা কৰা হৈছে। যিখন মূল আইন এইটো তাৰ পৰা ঘুৰাই আনিবলৈ বিছৰা হৈছে। ১৯৯৫ চনত বিল আনি অৰিজিনেল এক্টখন এমেন্দ কৰি সিদ্ধান্ত কৰিবলৈ বিচাৰিছে। এতিয়া যিহেতুকে পেট্রোলৰ দাম বাঢ়িছে আগৰ ৩.৪৫ পইচাৰ ঠাইত ৪.২৫ পইচা ডাঙৰ গাড়ী ক্ষেত্রত কৰিবলৈ বিচাৰিছে। এম্বেচাডৰৰ ক্ষেত্রত ২.৮৪ পইচাৰ ঠাইত ৩.২৫ পইচা কৰিব বিচাৰিছে। যিহেতুকে পেট্রোলৰ দাম বাঢ়িছে গতিকে আমি মাইলেজৰ বিৰোধীতা কৰিব নালাগে। কিন্তু মোৰ মনত আছিল যে মুখ্যমন্ত্রীয়ে এবাৰ ঘোষণা কৰিছিল যে বিভিন্ন অনষ্ঠান প্রতিষ্ঠানলৈ গলে কাউন্সিল অৱ মিনিষ্টাৰে কমাব পাৰে। একেখন মিটিং বা অনুষ্ঠানলৈ তিনিজনতকৈ অধিক মন্ত্রী যাব নালাগে। এই সম্পর্কত লিখিতভাৱে এটা ন'টিফিকেচন দিয়া হৈছিল। এই ফালৰ পৰা ইতিমধ্যেই কার্য্যকৰী ব্যৱস্থা লোৱা হৈছে। তেখেতে যিটো পৰামর্শ দিছে যে একেটা বিভাগৰ ৰাজ্যমন্ত্রী আৰু কেবিনেট মন্ত্রী দুয়োজন একেখন মিটিঙলৈ যাব নালাগে এইটো পৰামর্শ ভাল হৈছে, মানিবলগীয়া। শ্রীগোস্বামী ডাঙৰীয়াই দ্বিতীয়তে যিটো ডেচক্রিচনেৰী ফাণ্ডৰ কথা কৈছে - সেইটো এই সংশোধনীৰ লগত ডাইৰেক্টলি লিংক নাই। কেবিনেট মন্ত্রী সকলক ৫০ হেজাৰ টকাৰ যিটো নিজা ফাণ্ড দিয়া হয় তাৰে বিকলাংগ, টান ৰোগী, অনাটনত পৰা ছাত্র-ছাত্রী আদিৰ ক্ষেত্রতহে দিয়া হয়। শ্রীগোস্বামীয়ে বাতৰি কাকতত এই ফাণ্ড মিচইউজ সম্পর্কে যি কথা প্রকাশ পাইছে বুলি কৈছে সেইটো মই দেখা নাই। এই নিজা ফাণ্ডৰ টকাৰে অপব্যৱহাৰ হৈছে সেইটো কথা মই মানিবলৈ টান পাইছো। যাক অতি প্রয়োজন বুলি ভবা হয় তাকহে এই

* Speech not corrected

টকা দিয়া হয়। কালি এজন মানুহ মোৰ ওচৰলৈ আহিছে তেওঁৰ ঘৰলৈ ঘূৰি যাবলৈ টকা নাই, বাছৰ ভাড়া লাগে।

Sir, I have a statement. I will submit it to the Hon'ble speaker.

* শ্রীদেবানন্দ কোঁৱৰ, (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এইটো বেলেগ কথা। শ্রীগোস্বামীয়ে তৃতীয়তে এটা কথা উল্লেখ কৰিছে যে – বিৰোধী দলপতিক এই ডিচক্রিচনেৰি ফাণ্ড এলোটমেন্ট কৰাৰ বিষয়ে এইটো কথা পার্লিয়ামেন্টেৰী মিনিষ্টাৰ আহিলে, মই তেখেতক মাননীয় সদস্য গৰাকীৰ যিটো 'ফিলিং' সেইটো অৱগত কৰিম। তেখেতৰ ফালৰ পৰা এই ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰিব।

* ডঃ জয়নাথ শর্ম্মা ঃ অধ্যক্ষ মহোদয়, এইটো কাম আপুনিয়েই কৰিব পাৰে।

মাননীয় অধ্যক্ষ ঃ লীডাৰ অব দি অপজিচনৰ এই কথাটো মই মোভ কৰিম।

I will take up the matter. It is the pleasure of the House to grant leave to withdraw amendment. Now, Minister, Law to move.

* Sri Debananda Konwar (Minister) : Sir, I beg to move that the Assam Ministers', Minister's of State and Deputy Ministers' Salaries and Allowances (Amendment) Bill, 1995 be passed.

Mr. Speaker : I, now put the motion before the House. The motion is that -- "The Assam Ministers', Minister's of State and Deputy Ministers' Salaries and Allowances (Amendment) Bill, 1995 be passed". The Motion is passed. The Bill is passed.

Now Item No. 6 (a).

There is a massage from the Governor of Assam, Raj Bhawan, Guwahati. Dated February 11, 1995. Message is that :- Under the provision of Article 207 (3) of the Constitution of India, I Loknath Misra, Governor of Assam, recommend that the Assam Speakers Salaries and Allowances (Amendment) Bill 1995 be taken into consideration by the Assam Legislative Assembly.

Now, Minister, Law to move.

---

* Speech not corrected

* Sri Debananda Konwar (Minister) : Sir, I beg to move that the Assam Speakers Salaries and Allowances (Amendment) Bill, 1995 be taken into consideration.

Mr. Speaker : I now put the motion before the House. The motion is that - The Assam Speaker's Salaries and Allowances (Amendment) Bill, 1995 be taken into consideration.

The motion is passed.

Mr. Speaker : Now Item No. 6 (b). There is no amendment in Clause 2 of the Bill I now put Clause 2 before the House for approval. The question is that -- Clause 2 do stand part of the Bill.

Mr. Speaker : I now put Clause 1, Preamble, Enacting Formula and short title of the Bill before the House for approval. The question is that -- Clause l, Preamble, Enacting Formula and short title do stand part of the Bill.

Mr. Speaker : Now Item No. 6 (c).

Now Minister, Law to move :

Sri Debananda Konwar : Sir, I beg to move that the Assam Speaker's Salaries and Allowances (Amendment) Bill, 1995 be passed.

Mr. Speaker : Now I put the motion before the House for approval. The question is that - The Assam Speaker's Salaries and Allowances Amendment Bill, 1995 be passed. The Motion is passed.

The Bill is passed.

শ্রী আব্দুল জলিল ৰাগিবি ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিটো কথা কৈছে তাৰ প্রতি সমর্থন জনাই জনস্বার্থৰ খাতিৰত মই দুটামান কথা কব খুজিছো।

মাননীয় অধ্যক্ষ ঃ মই এইটো ব্যৱস্থা লম বুলি কৈছোৱেই, আপুনি আকৌ কিয় কব লাগে।

Mr. Speaker : I now put clause 1, Enacting Formula short title of the Bill before the House for approval.

The question is that - Clause 1, Preamble, Enacting Formula and short title do stand part of the Bill. Those who are in favour, say, 'Ayes'. Those who are against, say 'Noes'. 'Ayes' have it, Ayes have it, Ayes have it, clause 1, Preamble, enacting Formula and short title do form part of the Bill.

Mr. Speaker : Now item No. (C), Minister, Law etc. to move -

Shri Devananda Konwar : Sir, I beg to move that the Assam Ministers' Ministers' of State and Deputy Ministers' Salaries and Allowances (Amendment) Bill 1995 be passed.

ডঃ জয়নাথ শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত টি. এ. ৰ কাৰণে মাইলেজ ৰেট বঢ়াইছে। কিন্তু অধ্যক্ষ মহোদয় মন্ত্রী সকলক টি. এ. দিয়াটো প্রয়োজন হব। কিন্তু দেখা গৈছে অধিকাংশ মন্ত্রীয়ে নিজ নিজ সমষ্টিলৈ অহা যোৱাৰ কাৰণে টি. এ লৈছে। মই উদাহৰণ দিব পাৰো।

মাননীয় অধ্যক্ষ ঃ ইয়াত স্কপ নাই।

Now I put the motion before the House for approval.

The question is that -

The Assam Speaker's Salaries and Allowances (Amendment) Bill, 1995 be passed.

The Motion is passed. The Bill is passed.

Mr. Speaker : Now item No. 7 (a).

There is a message from the Governor of Assam ,

Raj Bhawan, Guwahati, Dated Feb. 11,1995.

Governor's Message

RAJBHAWAN
Guwahati
February 11, 1995

"Under the provision of Article 207(3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Deputy Speaker's Salaries and Allowances (Amendment) Bill 1995 be taken into consideration by the Assam Legislative Assembly."

Mr. Speaker : Now Hon'ble Minister, Law etc. to move -

Shri Devananda Konwar : Sir, I beg to move that the Assam Minister, Law etc. Deputy Speaker's Salaries and allowances (Amendment) Bill, 1995 be taken into consideration.

Mr. Speaker : I now put the motion before the House. The motion is that - The Assam Deputy Speaker's Salaries and Allowances (Amendment) Bill, 1995 be taken into consideration. The motion is passed.

Mr. Speaker : Now item No. 7 (b).

There is no amendment in clause 2 of the Bill. I now put clause 2 before the House for approval.

The question is that - Clause 2 do stand part of the Bill.

Those who are in favour, say 'Ayes'

Those who are against, say 'Noes'.

'Ayes have it, Ayes have it, 'Ayes have it.

Clause 2 do form part of the Bill. I now put clause 1, preamble, Enacting Formula and short title of the Bill before the House for approval.

The question is that -

Clause 1, preamble, Enacting formula & short title do stand part of the Bill.

Those who are in favour say, 'Ayes'.

Those who are against, say, 'Noes'.

'Ayes have it, 'Ayes have it, Ayes have it.

Clause 1, preamble, Enacting Formula and short title do form part of the Bill

Now item No. 7 (c)

Minister Law etc. to move -

Shri Devananda Konwar (Minister, Law etc): Sir, I beg to move that the Assam Deputy Speaker's Salaries and Allowances (Amendmen) Bill, 1995 be passed.

Mr. Speaker : Now I put the motion before the House for approval.

The question is that -

The Assam Deputy Speaker's Salaries and Allowances (Amendment) Bill, 1995 be passed. The motion is passed. The Bill is passed.

Now item No. 8 (a).

There is a message from the Governor of Assam, Rajbhawan, Guwahati, Dated Feb. 11. 1995.

Under the provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the salary and Allowances of the Leader of Opposition in the Assam Legislative Assembly (Amendment) Bill, 1995 be taken into consideration by the Assam Legislative Assembly.

Now Hon'ble Minister, Law etc. to move -

Shri Devananda Konwar (Minister, Law etc). : Sir, I beg to move that the Salary and Allowances of the Leader of Opposition in the Assam Legislative Assembly (Amendment) Bill 1995 be taken into consideration.

Mr. Speaker : I now put the motion before the House. The motion is that -

The Salary and Allowances of the Leader of Opposition in the Assam Legislative Assembly (Amendment) Bill 1995 be taken into consideration. The motion is passed.

Now item No. 8 (b)

There is no amendment in clause 2 of the Bill. I now put clause 2 before the House for approval.

The Question is that --

Clause 2 do stand part of the Bill.

Those who are favour, say, 'Ayes'.

Those who are against, say 'Noes'.

'Ayes have it', 'Ayes have it', 'Ayes have it'.

Clause 2 do form part of the Bill I now put clause 1, preamble Enacting Formula and short title of the Bill before the House for approval.

The question is that -

Clause 1, preamble enacting formula, short title do stand part of the Bill.

Those who are in favour, say 'Ayest'.

Those who are against, say 'Noes'.

'Ayes have it, Ayes have it, Ayes have it.

Clause 1, Preamble enacting formula and Short titel do form part of the Bill.

Now item No 8 (c).

Minister, Law etc. to move -

Shri Devananda Konwar (Minister, Law etc) : Sir, I beg to move that the Salary and Allowance of the Leader of Opposition in the Assam Legislative Assembly (Amendment) Bill, 1995 be passed.

Mr. Speaker : I now put the motion before the House for approval.

The question is that --

The Salary and Allowances of the Leader of Opposition in the Assam

Legislative Assembly (Amendment) Bill, 1995 be passed.

The motion is passed.

The Bill is passed.

* ডঃ জয়নাথ শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৱ ক্লিয়াৰিফিকেছন আছে। মই এইটো বাৰে বাৰে কৈ আহিছো আমাৰ চৰকাৰৰ দিনতো কৈছিলো। মন্ত্রীসকলে নিজৰ সমষ্টিলৈ যাওঁতে লাখ লাখ টকা টি. এ. বিল ড্র কৰে। মই জনাত এজন মন্ত্রী আছে যিজনে প্রথমে কলিকতালৈ যায় তাৰ পিছতহে নিজৰ সমষ্টিলৈ উভতি আহে। এনেকুৱা আমি দেখিছো। কিন্তু প্রশ্ন হৈছে – তেখেতে ৬ লাখ টকাৰো অধিক টকা টি. এ. বিল ড্র কৰিছে। গতিকে অধ্যক্ষ মহোদয়, আপুনি এই ক্ষেত্রত এটা ৰুলিং জাৰি কৰিব লাগে যাতে মন্ত্রীসকল সমষ্টিলৈ গলে টি. এ. বিল নলয়।

Mr. Speaker : Here is a massage from the Governor.

RAJBHAWAN,
Guwahati
February, 11, 1995

ORDER

Under provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Agricultural Income Tax (Amendment) Bill, 1995 be taken into consideration by the Assam Legislative Assembly.

Sd/ Loknath Misra,
Governor, Assam.

Now, Minister, Finance to move.

Shri Jiba Kanta Gogoi, (Minister, Finance) : Sir, I beg to move that the Assam Agricultural Income Tax (Amendment) Bill 1995 be taken into consideration.

* শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, এগ্রিকালচাৰ ইনকাম টেক্স সংশোধনী বিলৰ ক্ষেত্রত মই কেইটামান কথা বিত্তমন্ত্রী ডাঙৰীয়াক সোঁৱৰাই দিবলৈ বিচাৰিছো। যোৱা

* Speech not corrected

বছৰো এগ্রিকালচাৰ ইনকাম টেক্স সংশোধন কৰা হৈছে। তাৰ আগতে সংশোধনী অৰডিনেন্স ক্লজ সুমুৱাইছিল। মূল ৮ নং ধাৰা সুমুৱাইছিল। তাত কৈছিল Any amendment as may be notified in behalf of the state Govt. for setting up of industries other than tea plantation and manufacturing within the state of Assam. কিহৰ কিহৰ ভিত্তিত কনচেছন দিম সেইটো কোৱা হৈছিল। এগ্রিকালচাৰ ইনকাম টেক্স আমি কেনে ক্ষেত্রত কনছেচন দিম। ৰাজ্যৰ ৰেভিনিউ বৃদ্ধি কৰাৰ ক্ষেত্রত কি ব্যৱস্থা লোৱা হব। যোৱাবাৰ এই বিষয়ে সংশোধন কৰিছিল। সংশোধনীত তেখেতে এটা কথা কৈছিল, চাহ বাগিচাৰ মালিকসকলক ইনকাম টেক্স ৰেহাই দিয়া হব, যদি বাগিচাৰ মালিকসকলে টকা অসমতে ইনভেষ্ট কৰে। তেতিয়া অসমৰ বাহিৰলৈ টকা যোৱাটো বন্ধ হব। তেতিয়া টকা বাহিৰলৈ যোৱা আক্ষেপো নোহোৱা হব। দ্বিতীয়তে, চাহ বাগিছাৰ টকা অসমত উদ্যোগীকৰণ কৰাৰ ক্ষেত্রত খটোৱা হব। তেতিয়া অসমৰ নিবনুৱা সমস্যাও সমাধান হব। কিন্তু আজি সদনত এইখন বিল হিচাপে উত্থাপন নকৰি অৰডিনেন্স আনি হাউচৰ এপ্রু'ভেলৰ কাৰণে কি কাৰণে আনিব লগা হ'ল? যোৱাবাৰৰ সংশোধনীত ক্লজত ডিটেইলচ কৰি কোৱা হৈছে কি ক্ষেত্রত আমি কিছু ইনকাম টেক্স ৰেহাই দিম। এইখন যোৱা মার্চ মাহত অনা হৈছিল। আজি মার্চত এবছৰ হৈ গ'ল। এই এবছৰৰ ভিতৰত এনেকুৱা কি প্রয়োজন হ'ল যে এইখন অৰডিনেন্স হিচাপে আনিব লগা হ'ল। এইখন সদনত বিল হিচাপে উত্থাপন কৰিব পাৰিলেহেতেন। এতিয়া বাৰু চাহ বাগিচাৰ মালিকসকলে কিমান টকা অসমত ইনভেষ্ট কৰিছে। আপুনি এই সংশোধনী বিল সদনক বিশ্বাসত ৰাখি আনিলে ভাল পালোহেতেন। আপুনি নিশ্চয় এইখন বাগান কর্ত্তৃপক্ষৰ হেচাত পৰি বা বুজাবুজি কৰা হৈছে। যোৱাবাৰ এগ্রিকালচাৰ ইনকাম টেক্স ৭৫ শতাংশৰ পৰা কমাই আনি ৬০ শতাংশ কৰা হৈছিল। ৭৫ শতাংশ কৰাত তেওঁলোকৰ লচ হৈছিল। সেই কাৰণে ৬০ শতাংশ কৰা হল। তেতিয়া ৰেভিনিউ লোকচান হয়। কেন্দ্রীয় চৰকাৰে টেক্স মাফ কৰি দিছে চাহ বাগান বিলাকক তেওঁলোকক সহায় কৰাৰ কাৰণে। গতিকে বিত্ত মন্ত্রীয়ে এইটো স্পেচিয়েল বিল নানিলে ভাল হল হেতেন। যোৱা বিধানসভাৰ অধিবেশনত ৩ খন বিল অনা হৈছে। যোৱা বছৰ টেক্স ৰেহাই দিয়াৰ পিছত এই এটা বছৰত কিমান টকা অসমত ইনভেষ্ট কৰা হল? মোৰ এটা কথা মনত পৰিছে বিদ্যুৎমন্ত্রীয়ে নিশ্চয় জানে। মেগৰ টি গ্রপে অসমত আসাম ভেলি পাৱাৰ প্রজেক্ট নামৰ এটা শক্তি নিগম আৰম্ভ কৰিছে। সেইখিনি ইনভেষ্ট কৰিছে। তাত বাহিৰে বাকীবিলাকে কি ইনভেষ্ট কৰিছে যাৰ কাৰণে অৰডিনেন্স আনিব লহা হ'ল? বিত্তমন্ত্রীয়ে এই বিষয়ে কর লাগে। আমি চাইছো এই বিলত দুটা কথাৰ ওপৰত জোৰ দিয়া হৈছে। এটা হ'ল পাৱাৰ জেনেৰেছন ইউনিট আৰু আনটো হৈছে স্পেচিয়েল চেটিং আপ ইউনিট। মই ভাবো, ইন্ডষ্ট্রিয়েল ইউনিটত ইনভেষ্ট কৰাৰ কাৰণে

* Speech not corrected

এইখন বিল হিচাপে আনিলেও হ'লহেতেন। অৰডিনেন্স অনাৰ যুক্তিযুক্ততা নাছিল। ১০/১৫ টা ইন্ডাষ্ট্রিয়েল ইউনিট চেট আপ কৰোতে অৰডিনেন্স জাৰি কৰাৰ যুক্তিযুক্ততা নাই। সেইটো হ'ল প্রথম কথা।

দ্বিতীয়তে, মই সদনত দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। অসমৰ এজন বিক্ষাত অর্থনীতিবিদ জয়ন্ত মাধৱ, তেখেতে এচিয়ন বেংকৰ অধ্যক্ষ আছিলে। এতিয়া ৰিটায়াৰমেন্টৰ পিছত ভাৰতত ইকনোমিক চেনিয়ৰ নামৰ প্রতিষ্ঠান এটাৰ লগত জড়িত হৈ পৰিছে। তেখেত অসমলৈ আহিছিল। ইকনোমিক মেনেজমেন্টত তেখেতে ১৮ ফেব্রুৱাৰীত কৈছে অসমৰ বিষয়ে টি গ্রুপে ইন্ডাষ্ট্রিত কৰি থাকিলে ভাল হব। তেখেতে কৈছে, Government should give the Company incentive and establish a proper envirnment for them up diversified within the State giving a suitable environment infrastructure and improve production. Then private investment will automatically be flowing for setting up industries. Suitable environment I mean a stable security, condition of stable Goevernment policy.....যোতে পইচা বাহিৰলৈ নাযায়। তেখেতে কৈছে গভমেন্ট পলিচি ষ্টেবুল হব লাগে। এক পক্ষীয় হব নালাগে। শেষত দুটা কথা কৈছে। গুজৰাটতত ওৱান উইন্ডো পলিচি আছে। তেওঁলোকে ৰেহাই দিছে যাতে ইনভেষ্ট বন্ধ কৰিব নোৱাৰে। গতিকে আমি চাহ বাগানৰ টেক্স ৰেহাই দিম কিন্তু অসমত ইনভেষ্ট কৰিব লাগিব। বান্ধ কৰিব নোৱাৰে গতিকে ইন্ডাষ্ট্রিয়েল ইউনিট বনোৱাত বহু ক্ষেত্রত অসুবিধা আছে।

মাননীয় অধ্যক্ষ মহোদয়, মই এই কথাটো জনাব বিচাৰিছো যে যিবিলাক ইউনিট বনাইছে সেইবিলাক নোৱাৰ কাৰণে বহুতো অভিযোগ আছে। বাহিৰৰ পৰা কোনোৱাই ইনভেষ্টমেন্টত আহি সেইটো ব্যর্থ হৈছে। এই বিষয়ে মই উদ্যোগমন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিছিলো যে অসমত ক্ষুদ্র উৎপাদিত সামগ্রীৰ ওপৰত কৰ লগাইছে। অসমৰ ১০০ ভাগ ইউনিটে কি কৰিছে। তেওঁলোকে আজি পর্য্যন্ত ৩ বছৰে ফাইনেন্স বিভাগৰ নটিফিকেচন নাপালে। তাত এই ধৰণে লিখা আছে। আজি স্মল স্কেল উদ্যোগৰ ওপৰত টেক্স সংগ্রহ কৰাৰত জোৰ দিছে। আজি হিমাচল প্রদেশত আমি দেখিছো যে সৰু সৰু যিবিলাক চেদ কৰিছে সেইধৰণে আমাৰ ইয়াতো যাত কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগে। যিকোনো এটা পলিচি ললে সেইটোৰ ওপৰত আগতেই সতর্ক হব লাগিব। যোৱা ১৩ তাৰিখে ডঃ জয়ন্ত মাধৱ আহি সেইখিনি কথা আজি ইয়াত উল্লেখ নকৰিলেহেঁতেন? বোধকৰো তেখেতে আমাৰ মুখ্যমন্ত্রীকো লগ কৰিছে। তেওঁ অসমলৈ আহি ফ্রাষ্টেট হৈ গৈছে। আজি অলপ সময় পাইছো কাৰণে এই বিষয়টোৰ ওপৰত অলপ-আলোচনা কৰিলো। এগ্রিকালচাৰ ইনকম টেক্সৰ ওপৰত যিখিনি বিল আজি এমেন্ডমেন্ট আনিছে তাৰ ওপৰত

* Speech not corrected

মই প্ৰতিবাদ কৰিছো। আপুনি যোৱা বাৰ অৰ্ডিনেন্স কৰিছে বেলেগ কথা এইবাৰ পুনৰ অৰ্ডিনেন্স অনাৰ কাৰণে ঘোৰ বিৰোধীতা কৰিছো। ভবিষ্যতে যাতে ইমিডেট অৰ্ডিনেন্স নানে এই কথাখিনি কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

* Shri Dewan Joynal Abedin : Mr. Deputy Speaker Sir, at the consideration stage, I would also like to make a few observations on The Assam Agricultural Income Tax (Amendment) Bill, 1995. Sir, we have seen that this Bill seeks to determine the net agricultural Income, any amount invested in the setting up of power generation units and industrial units within the State of Assam other than tea plantation and manufacturing shall be allowed as deduction to the assessee from his agricultural income.

Sir, this clearly says that the intention of the Government in bringing about this Bill is rather, in my opinion, not to help the poor peasants of the State.Sir, before coming into this Amendment I would like to speak something about the method of bringing this Bill. Mr. Deputy Speaker sir, as you are the custodian of this House, you should see that democratic norms and practices are honoured more and more but sir, unfortunately, this Government is eroding whatever democratic process are there. Sir here, this is a very bad practice. Whenever the Government feels for bringing about any legislation they go for an Ordinance first and subsequently they get the Ordinance passed in the Assembly. This is not a healthy democratic process. The healthy democratic process is that whenever Government feels it inevitable necessary to bring about some legislation they should convene the session of the Assembly. Sir, we find that the Government is convening the Assembly less and for lesser number of days and its place, they are compensating by bringing about more and more Ordinances. This is not democracy sir, this is clear curtailment of the democratic rights of the Members and the democratic practices. That is why, I would like to reuest through you sir that the Government should see that Assembly should sit very frequently and have more number of days.

* Speech not corrected

Government should restrict this practice of bringing about Ordinances unless it is very necessary. This practice should be stopped in future and they should go for bringing in legislation in the Assembly session.

Secondly sir, what is the purpose of this legislation? The purpose of this legislation brings out clearly the class character of the Government. Here, the purpose is to allow deduction of agricultural income tax of those people who instal their power general units, incustrial units within the State. So sir, we have seen that this Government has imposed fresh taxes on poor and marginal famers for supplying small quantity of irrigation water. But sir, they have given deduction to the big farmers. Who are the people who can instal their own power generation? It has been said that 'other than the tea gardens'. This does not relate to the tea gardens. The people who have established some kind of power generation unit or industrial unit they will be allowed deduction in the assessment of their agricultural income tax. This relates to agriculturists.

The agriculturists who own 2,3,4, 5 of 6 bighas of land definitely are not exempted. This is aimed at helping the big farmers, big land-owners. This shows clearly the pre-capitalist ctoaracter, class character of the Gvernment. This Government is not a Government of the poor, but this Government is a Government of the rich people. That is why, the Government is allowing exemption in the case of rich farmers whereas they are levying taxes upon the poor farmers even for supply a small quantity of irrigation water.

That is why Sir, I would like to oppose this Bill in the interest of the poor farmers of the State and I would like to ask the Government through you sir to withdraw the Bill in the interest of the small farmers and not to allow any tax exemption on the rich farmers for establishing any industrial unit.

With these few words, I conclude sir.

* ড. জয়নাথ শর্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিখন বিল ইয়াত উৎত্থাপন কৰা হৈছে সেই বিলখনৰ ক্ষেত্রত ইতিমধ্যে 'অৰডিনেন্স' হিচাপে কামত খটোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয় মই দুটা মান কব খুজিছো। আগতে মই বাৰে বাৰে কৈছো বিষয়টো ৰাজহুৱাভাবে জড়িত হৈ আছে এইটোত সন্মান হানি হোৱাৰ বিষয় নহয়। এতিয়া তথ্য সহকাৰে দেখুৱাইছো। "In determining the net agricultural income, any amount invested in the setting up of power generation units and industrial units within the State of Assam other than tea plantation and manufacturing shall be allowed as deduction to the assessee from his agricultural income, provided the same has not already been allowed as deduction under any other provision of this Act or under any provisions of the Income Tax Act, 1961 or the same has not been received as any subsidy or grant by the assessee from the Government of India or the Government of Assam".

উপাধ্যক্ষ মহোদয়, ১৯৯৩-৯৪ চনৰ 'এগ্রিকালচাৰ মেণ্টেনেঞ্চ' ০০২২ এই হেডত আমাৰ 'ষ্টেটে টোটেল' ৰাজহ পাইছিল ৫০ কোটি ৭৫ লাখ ৩৫ হেজাৰ টকা ১৯৯৩-৯৪-ত। এইটো ১৯৯৪-৯৫ চনৰ বাজেটত ধৰি ললে ৯০ কোটি ১৮ লাখ টকা, এইটো আচলতে কম পাইছিল। ১৯৯৪-৯৫ কম ধৰিলে ৪১ কোটি টকা। তাক 'ৰিভাইজ' কৰিলে ৩০ কোটি টকালৈ। এইবাৰ কি কৰিলে-এইবাৰ আৰু ৫কোটি টকা কমালে, ৩৫ কোটি টকা ধৰিছে। ৪১কোটি টকাৰ পৰা ৩৫ কোটি হলে ৬ কোটি টকা কমিল-এইটো হল 'বাজেট এষ্টিমেট'। এই কথাটো 'টেক্সেশ্যন'ৰ কথা। ১৯৯৫-৯৬ চনত পোৱাৰ সম্ভাৱনা আছে সেইকাৰণে এই বিলাক আনিছো। এতিয়া ৭০ কোটি টকা বেছি ললে 'এৰিয়াৰ কৰিব পাৰে তাৰ পৰা ৩৫ কোটি টকা বাদ দি আধা এৰিয়াৰ কৰিলে ৩৫ কোটি টকা 'ইনকম' হব। এই চৰকাৰে দুখীয়া ৰাইজৰ হৈ কি কৰি আছে? চাহবাগানৰ মালিকবিলাক ধনী মানুহ তেওঁলোককহে মানুহ কৰিছে। আমি বহুত কথা দেখিছো - মাননীয় মুখ্যমন্ত্রী আজি ইয়াত নাই - মাননীয় বিত্ত বিভাগৰ মন্ত্রীক সিদ্ধি হিচাবে লৈ কাম কৰিছে। ইয়াত যিটো এমেন্ড কৰিব খুজিছে। কথাটো হল এনেকুৱা চাহ বাগানৰ ডাঙৰ মালিক, এতিয়া এই বিলখনৰ সম্পর্কত চৰকাৰে যিটো ব্যৱস্থা কৰিবলৈ লৈছে তাত আমি এটা কথাদেখিছো যে - 'ইণ্ডাষ্ট্রিয়েল পাৱাৰ জেনেৰেশ্যনৰ নামত চাহবাগানৰ মালিক সকলে যিটো-টকা এ,এফ,চিক দিব সেই টকাটো তেওঁলোকৰ এনুয়েল এচেচমেণ্টৰ পৰা ডিডাক্ট কৰা হব। এই ক্ষেত্রত আমি দেখিছো যে তেওঁলোকে যি পাৱাৰ জেনেৰেট কৰিব সেই পাৱাৰ তেওঁলোকে কিনি লব সাধাৰণ মানুহে নেপাই। ইয়াৰ দ্বাৰা তেওঁলোক 'ডাবল' বেনিফিটেড

* Speech not corrected

